চান্দমামা

ছেপটেমবাৰ ১৯৯৫



নিউট্রিন
ফল-ৰসাল আমন্ত্ৰণ !
Fruit Roll
nutrine
বিনামূলীয়া!
হেজাৰ মজাৰ সোৱাদভৰা নিউট্রিনৰ ফ্রুট ৰোল পঠোৱা
৪ খন 'ৰ্যাপাৰ ফান' ১০ লেইথ ক্যাচল ৰ'ড, ছানথম,
মাদ্ৰাজ-২৮ লৈ আৰু লোৱা এখন বিনামূলীয়া
টাইম টেবুল!
নিউট্রিন মিঠাই এই উপহাৰ বিনেও পোৱা যায়
nutrine
HARMONY/181-95-Asa

"मेरि"
दुनिया भर की नारियों को, 31 से अधिक सालों से मनमोहक, खूबसूरत और मज़बूत स्वर्णपाट्टित ज़ेवरों से सँवार रहे हैं ।

मेरि अब पेश करते हैं चकाचौंध करने वाले रंगबिरंगे और उत्तम डिज़ाइन के ज़ेवर, जो शुद्ध चाँदी पर सोने का पानी चढ़ा कर और अमरीकी हीरो (A.D) से जड़ा कर बनाये गये हैं ।

ज़ेवर वी.पी.पी. द्वारा मँगाये जा सकते हैं । हमें ज़ेवर की संख्या का उल्लेख देते हुये लिखिये । मंदिर की मूर्तियो और भरत नाट्यम के लिए ज़ेवर बनाना हमारी विशेषता है। मुफ्त रंगीन सूचापत्र के लिये लिखिये । कृपया पत्रव्यवहार हिन्दी या अगरेज़ी में ही करिये ।

MERI GOLD COVERING WORKS
P.O. Box 1405, 18, Ranganathan Street, T. Nagar,
Madras 600 017, Phone: 444671, 442513

চান্দমামা

*

ছেপ্টেম্বাৰ ১৯৯০

এই * আছে

সংখ্যাত

*

আহিঁ	:	৭	মৰমৰ বশ	:	৩৭
পৃথিৱীৰ খিৰিকীৰে	:	৯	জীয়াই থকাৰ মন্ত্ৰ	:	৪২
সময়	:	১০	মহাভাৰত	:	৪৫
ৰূপধৰৰ যাত্ৰা	:	১৭	ধোঁৱা-খোৱা-ধোঁৱাকোঁৱা	:	৫২
চান্দমামা-সম্বাদ	:	২৪	চান্দমামা-ক্ৰোড়পত্ৰ	:	৫৩
বিবেক-অবিবেক	:	২৫	চিলাই নিলে কাণ	:	৫৭
ভাৰতৰ দুৰ্গ	:	৩৩	থৰ-খেদা	:	৬২

*

ফটো-প্ৰতিযোগিতা-পুৰস্কাৰ : ৬৫

চান্দমামা : খনে : ৫·০০ টকা মাথোন

বছৰেকীয়া বৰঙনি : ৬০·০০ টকা মাথোন

World-class travel alternatives for those who stumble, stagger and crawl.
Toys that transport youngsters to fantasyland. An international range of safe, electronic playthings. From Mum Toys. Ideal for the adorable someone who just can't stay still at one place.
TUMBLING MARS RANGER
Outer space training for the young astronaut at home
ROARING TOM JET
Jet-age fun for the roaring pilot-to-be
ORION EXPRESS
Voice-aided amusement for your li'l hi-steam engine
FIRST RIDER
Driving lessons for the li'l L-board in your house
COSMO COP
The police car of the future... to keep that li'l rascal in check
MUM TOYS
8000.96
HEAD OFFICE: M.M Toys Industries Ltd., 5, Chandra Bagh Avenue, Mylapore, Madras-4.



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

চান্দমামা

সংস্থাপক : চক্রপাণি   সঞ্চালক : বি নাগিৰেড্ডি

আহি

দিল্লী আৰু কেৰল চৰকাৰে দুটা অতি সময়োচিত সিদ্ধান্ত ল'লে যি-সিদ্ধান্ত দুটা আমাৰ দেশৰ অন্যান্য ৰাজ্য-চৰকাৰ বাবেও সুন্দৰ আহি-স্বৰূপ হ'ব পাৰে।

দিল্লী নগৰখন দুই ভাগেৰে বিভক্ত, পুৰণি দিল্লী আৰু নতুন দিল্লী। পুৰণি দিল্লীত জন-বসতি অতি ঘন, আৰু সেইহে তাত বিদ্যালয়ৰ সংখ্যাও—প্ৰচুৰ। নতুন দিল্লীত অৱশ্যে জন-বসতি আৰু বিদ্যালয় সিমান থেপাথেপিকৈ অৱস্থিত নহয়। কিন্তু দিল্লীৰ চৰকাৰৰ আবেদনক্ৰমে দিল্লীৰ উচ্চ-ন্যায়ালয়ে এক আদেশযোগে পুৰণি আৰু নতুন দিল্লীৰ যিবোৰ ৰাজআলিত বিদ্যালয় আছে, তাত ডাঙৰ ডাঙৰ মটৰ গাড়ীৰ যাতায়াত—অন্ততঃপক্ষে বিদ্যালয়—চলি থকা সময়ত— নিষিদ্ধ কৰিলে— বিশেষকৈ পৰিবেশ-দূষণগত কাৰণত, আৰু দুৰ্ঘটনাজনিত কাৰণতো।

কেৰল চৰকাৰে বিদ্যালয়-মহাবিদ্যালয়সমূহৰ সীমাত ধূমপান পৰিপূৰ্ণভাবে নিষিদ্ধ কৰি আদেশ জাৰী কৰিলে আৰু এই আদেশলৈ উপেক্ষা প্ৰদৰ্শনকাৰীইতক কঠোৰ দণ্ড দিয়াৰ সতৰ্কতাও ঘোষণা কৰিলে। এই ক্ষেত্ৰত চৰকাৰে বাঢ়ি উঠা ছাত্ৰসকলৰ আগত আহি দেখুৱাবলৈ আগবাঢ়ি আহিবলৈ শিক্ষক-অধ্যাপক সকললৈ আহ্বান জনাইছে আৰু তেওঁলোকেও কমনৰুমত বহি ধূমপান কৰিব নোৱাৰিব বুলি ঘোষণা জাৰী কৰিছে।

এই দুই চৰকাৰৰ আহি—আমাৰো আহি হওক।

বছৰ : ২০ ছেপ্টেম্বৰ ১৯৯৫ সংখ্যা : ৬

খনে ৫·০০ টকা :: বছৰেকীয়া বৰঙনি ৬০·০০ টকা

পোলিঅ'প্লাছ

শিশুইঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰ লগে লগে	**বি ছি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** **পাৰ্টুছিছ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলজ**	সৰু আই	এবাৰ মাথোন

জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণকৈ দিব লাগিব।

গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

পৃথিৱীৰ খিৰিকীৰে

প্ৰশান্ত মহাসাগৰত

অন্য

ভাৰতবৰ্ষ

আমাৰ ৰাষ্ট্ৰপতি শংকৰদয়াল শৰ্মা ডাঙৰীয়াই সম্প্ৰতি কেৰিবিয়ান দেশৰ ত্ৰিনিদাদ-টোব্যাগোৰ মুখ্য অতিথি হৈ পৰিভ্ৰমণ কৰি আহিল। সেই দেশত ভাৰতীয় বংশোদ্ভূত সকলৰ বসবাসৰ এশ পঞ্চাছ বছৰ পূৰ্ণ হোৱাৰ উৎসৱ-অনুষ্ঠান উপলক্ষ্যে আমাৰ ৰাষ্ট্ৰপতিলৈ আমন্ত্ৰণ জ্ঞাপন কৰা হৈছিল। তাত প্ৰথম দল ভাৰতীয়ই ১৮৪৫ চনৰ ৩০ মে'ৰ দিনা প্ৰথম পদাৰ্পণ কৰিছিল।

ইতিহাসৰ মতে : ক্ৰিস্ট'ফাৰ কোলম্বাছে আমেৰিকা আৱিষ্কাৰলৈ যাত্ৰা কৰি ১৪৯৮ চনত এই ত্ৰিনিদাদ পাইছিলহি। তাৰ পাছত এই দেশ স্পেনৰ অধিকাৰভুক্ত হৈছিল আৰু ১৮০২ চনত বৃটিছৰ অধীন হৈছিল। ত্ৰিনিদাদৰ লগতে ত্ৰিনিদাদৰ সমীপস্থ টোব্যাগো দ্বীপটোকো বৃটিছে অধিকাৰ কৰি লৈছিল আৰু ১৮০৯ চনত উভয় দ্বীপক একেই উপনিবেশভুক্ত কৰিলে।

দুয়োখন দ্বীপতে কুঁহিয়াৰ-খেতিৰ প্ৰাচুৰ্য্য। এই কুঁহিয়াৰ-খেতিত কাম কৰাৰ বাবে ইংৰাজে ভাৰতবৰ্ষৰ বন্ধুৱা লৈ গৈছিল—কলিকতা, নাগপুৰ আদি ঠাইৰপৰা। কলিকতা বন্দৰৰপৰা 'ফিটলৰোজ' নামৰ জাহাজত উঠি সৰ্বমুঠ ২৩০ জন ভাৰতীয় বন্ধুৱা তালৈ গৈছিল। তেতিয়াৰ কালৰ সুদীৰ্ঘ যাত্ৰাপথত এই বন্ধুৱাসকলৰ মনত ভৱিষ্যতত আৰু দেশলৈ উভতি আহিব নোৱাৰিব বুলি ভয় সোমাইছিল। এই বন্ধুৱাইতক 'নেলছন টাপু' নামৰ দ্বীপ এটিত নমোৱা হ'ল, যিখন দ্বীপ—এই দেশৰ বৰ্তমান ৰাজধানী পোৰ্ট অব স্পেনৰপৰা সামান্য দূৰত্বত অৱস্থিত। তাৰ পাছত প্ৰায় ৭০ বছৰ ধৰি—উত্তৰপ্ৰদেশ, বিহাৰ আৰু দক্ষিণ ভাৰতৰপৰা দলে দলে বন্ধুৱা তালৈ পঠোৱা হৈছিল। ইংৰাজে আফ্ৰিকাৰপৰাও প্ৰচুৰ সংখ্যক বন্ধুৱা তালৈ পঠাইছিল।

ত্ৰিনিদাদ-টোব্যাগোৰ মুঠ জনসংখ্যা ২০,০০,০০০ আৰু তাৰ মাজত ভাৰতীয় আৰু আৰু আফ্ৰিকীয়ৰ সংখ্যা প্ৰায় সমান সমান।

সেই দেশত ভাৰতীয় বংশোদ্ভূতসকলে আজিকোপতি পূৰ্ব-পুৰুষৰ দেশৰ কথা বিস্মৃত হোৱা নাই। কিয়নো, তালৈ যাওঁতে তেওঁলোকে নিজ দেশৰপৰা যি ভাষা, আহাৰ-পদ্ধতি, ধৰ্মপথ লগত লৈ গৈছিল, আজিও সিসকল অম্লান। ইয়াত হিন্দী, বাংলা, পঞ্জাবী, আৰু দক্ষিণ ভাৰতীয় ভাষাভাষী মানুহ বৃজন সংখ্যাত পৰিলক্ষিত হয়। তদুপৰি ভোজপুৰী, মৈথিলী, চাওঁতালী, নেপালী ভাষাভাষীও যথেষ্ট সংখ্যাত আছে। এই ঠাইৰ বিভিন্ন স্থানৰ ভাৰতীয় নামকৰণ কৰা হৈছে, যেনে—মথুৰা, লখ্নৌ, কানপুৰ, চন্দ্ৰপুৰ, মাদ্ৰাজ, মালাবাৰ ল্যাণ্ডচ, দিল্লী ৰোড, গোলকুণ্ডা ইত্যাদি।

ইয়ালৈ অহা প্ৰথম দলৰ এজন বন্ধুৱাৰ অন্যতম সন্তান হ'ল – নূৰ হাছান আলী। তেওঁৰ বক্তব্য হ'ল : 'আমাক সমুদ্ৰই ভিন্ন কৰিলে, কিন্তু হৃদয় আমাৰ আজিও অভিন্ন'।

ভাৰতৰ ৰাষ্ট্ৰপতি ড° শংকৰদয়াল শৰ্মাদেৱেও কৈছে : 'ত্ৰিনিদাদৰ সৈতে ভাৰতৰ এক অচ্ছেদ্য সম্পৰ্ক। এই সম্পৰ্কৰ এনাজৰী অছিন্ন হৈ আছে, আৰু অচ্ছিন্ন হৈ থাকিব'।

ফুলৰ ঠাৰিৰ কাঁইট

গৌৰীপুৰৰ কাশীনাথ আছিল ধনৰ গছ থকা গৃহস্থ। তেওঁৰ দুজন ল'ৰা; কেশৱ আৰু মাধৱ। দুয়ো পৰিশ্ৰমী আৰু দুয়োজনেই বুদ্ধিমান। তথাপি কাশীৰামৰ মনত শান্তি নাই। অশান্তিৰ কাৰণ পুত্ৰহঁত নহয়, দন্দ কিনা পৰিবাৰ কামিনীয়ে সদা-সৰ্বক্ষণেই হাঁ হাঁ-কাঁ কাঁ কৰে, যাক যেতিয়া ধৰে—ছাল বখলিয়াইহে এৰে।

কামিনীৰ এই স্বভাৱৰ কাৰণেই ডাঙৰ ল'ৰাটোৰ মনতো সদা-সৰ্বক্ষণেই দুখ। কামিনীয়ে— বোৱাৰী কণিকালৈ মুখ ফালি তীখা দিয়েই থাকে, মুখ দি মুখ বঢ়ায়েই থাকে।

এদিন কণিকাই তাইৰ গিৰিয়েক কেশৱক ক'লে, "মই মাৰ ওচৰলৈ গৈছোঁ, যদি বেলেগে থকাৰ বন্দৱস্ত হয়, আহিম; নতুবা আৰু ইয়ালৈ নাহোঁ।" এই বুলি কৈ তাই তাইৰ মাকৰ ঘৰলৈ গ'লগৈ।

শহুৰেক কাশীনাথেও গমিলে কথাটো। এইদৰে সদায় অশান্তিৰ মাজত প্ৰকৃততেই থাকিব নোৱাৰি। আৰু—আজিৰ যুগ হ'ল একক পৰিয়ালৰ যুগ। গতিকে— কাশীনাথে সেইখন গাঁৱতে কেশৱৰ কাৰণে মাটি এডোখৰ বিচাৰি দিলে, আৰু তাত কেশৱক বেলেগে থাকিবলৈ উৎসাহো দিলে; যদিও মনৰ ভিতৰত পুত্ৰ হেৰুউৱাৰ দুখৰ জুই উমি উমি জ্বলিয়েই থাকিল।

কিছুদিনৰ অন্তত কেশৱে এটি পুত্ৰসন্তান লাভ কৰিলে, আৰু তেতিয়া কাশীনাথৰ মনৰ দুখ চাৰিগুণে চৰিল।

এদিন ওচৰৰে বৰালি গাঁৱৰ বন্ধু নাৰায়ণৰ ঘৰলৈ আহিল কাশীনাথ।

চিত্ৰা তামুলী

নাৰায়ণ কাশীনাথ দৰে আঢ্যৱন্ত নহয়— যদিও, অৱস্থা বেয়া নহয়, ভালেই। দুয়ো মন খুলি কথা পাতিবলৈ ধৰিলে।

এনেতে এজন বেপাৰী মানুহ আহিল, মানুহজনৰ লগত আন এজন মানুহো আহিল, সেই মানুহজনৰ মূৰৰ ওপৰত আছিল এটা ডাঙৰ কাপোৰৰ গাঁঠৰি।

বেপাৰী মানুহজনে নাৰায়ণক ক'লে, "ডাঙৰীয়া, ছোৱালীজনীয়ে গুণাৰ বনকৰা শাড়ী-কাপোৰ লৈ আহিবলৈ বাৰে বাৰে কৈছিল। অলপ মাতিবনে—?"

"বিমলা—!"

নাৰায়ণে জীয়েকক মাতিলে, আৰু ঘৰৰ ভিতৰৰপৰা বিমলা ওলাই আহিল।

বেপাৰীয়ে বিমলাক ক'লে। "যোৱা বাৰ আপুনি গুণাৰ বনকৰা শাড়ী-কাপোৰ আনিবলৈ কৈছিল যে—একেবাৰে ভালৰো ভাল গুণাৰ বনকৰা শাড়ী—আনিলোঁ। বেপাৰীয়ে তেওঁৰ লগৰ মানুহজনক ক'লে, "জলদিকৈ গাঁঠৰি খোলা।"

বিমলাই হাত দাঙি সেই মানুহজনক ৰখালে আৰু বেপাৰীজনক ক'লে, "মতিৰামজী, অলপমান ৰ'বচোন, মই এতিয়াই আহিছোঁ অলপ।"

এই বুলি কৈ বিমলা ঘৰৰ ভিতৰলৈ গ'ল আৰু এখন পুৰণা শাড়ী লৈ আহিল।

সেই শাড়ীখন বেপাৰী মতিৰামক দেখুৱাই বিমলাই ক'লে, "এইখন শাড়ী আপুনি অলপ চাওকচোন—"

"ওঁ, সস্তীয়া দামৰ শাড়ী এখন। ক'ৰপৰা কিনিছিল?"

বিমলাই মিচিকীয়াই হাঁহি ক'লে, "আপোনাৰেপৰাই কিনিছিলোঁ। যোৱা বাৰ যেতিয়া আহিছিল, যেতিয়া এই-খনকে ভালৰো ভাল বুলি মোক দিছিল আৰু দামো উচুল কৰিছিল জোখে-জোখাৰে। মাত্ৰ এবাৰহে ধুলোঁ, বছ, ৰং-চং—সকলো ছলিৰ মেল-কলৰ ভেল হৈ গ'ল। শুনক মতিৰামজী, ঠগিব—মাত্ৰ



কাশীনাথে বিমলাক সুধিলে,"বেয়া নাপাবা আই, কথা এটা সোধোঁ—ইমান বয়সস্থ মানুহজনক এনেকৈ ক'বলৈ তোমাৰ সংকোচ নহ'লেনে? ভয় নালাগিলনে—?"

বিমলাই গিঠাকৈ হাঁহিৰে ক'লে, "জগৰ মই লগোৱা নাই নহয়? ভয় কিহলৈনো? জগৰীয়াইহে ভয় কৰিব।"

কিন্তু বিমলাৰ উত্তৰ শুনি কাশীনাথে বৰ ভাল নাপালে।

পুনৰ ঘৰলৈ উভতি যাবলৈ ৰাওনা হোৱাৰ আগতে কাশীনাথে নাৰায়ণক ক'লে, "বন্ধু, মই তোমাৰপৰা—আচলতে কিবা এটি বিচাৰিহে আহিছোঁ—।"

নাৰায়ণে ক'লে "কথানো কি—? অসংকোচে কোৱা। মোৰ যদি আছে, তোমাক নিদিবলগীয়া একো নাই, নিদিবৰ দেওবাবৰ কথাও নকওঁ।"

কাশীনাথে ক'লে নাৰায়ণক, "মই তোমাৰ ছোৱালীজনীক আমাৰ বোৱাৰী কৰি ল'ব খুজিছোঁ।"

কাশীনাথৰ কথা শুনি হতভম্ব নাৰায়ণে ক্ষন্তেকমানৰ অন্তত কৈ উঠিল, "আমাৰ —বাস্তৱিকেই ইমান সৌভাগ্য হ'বনে? আৰু—যদি ধেমালি-ধুমুলা নাই কৰা, সঁচাকৈ কৈছা যদি — এই কথাত খোজাবনো কি আছে?"

এবাৰহে পাৰি; কিন্তু ইমানদাৰী থাকে জীৱনকাল ধৰি। এই পৰম সত্য আগলৈ মনত ৰাখিব বুলি আশা কৰিছোঁ।"

তলমূৰ হৈ থকা মতিৰাম বেপাৰীক বিমলাই পুনৰ ক'লে, "মতিৰামজী, ঈশ্বৰে মানুহকযে মুখখন দিলে, জিভাখন দিলে —সেই জিভাৰে তথা মুখেৰে ভাল কথা ক'বলৈহে দিলে; ভাল কথাৰে ভালৰি বোলাই ঠগিবলৈ নহয়। কথাৰ মহলাৰে আনক ভাঁৱি নিজক বৰ বুদ্ধি থকা বুলি ফস্তিৰে ভাবিব পাৰে, কিন্তু পাছত যে পস্তাব লাগে—দেখিছেই।"—

মতিৰাম বেপাৰী গুচি যোৱাৰ পাছত

কাশীনাথে ক'লে, "মই ঘৰ পায়েই আমাৰ গিৰিহঁতনীৰ সৈতে বিশদ-বিস্তাৰিত আলোচনা কৰি দিন-খেনো থাটাং কৰি পেলাম। তুমি তোমালোকৰ ঘৰত—কথাখিনি ভাঙি-পাতি ক'বা।"

ঘৰ পাই কাশীনাথে কথাখিনি তেওঁৰ পৰিবাৰক আৰু মাধৱকো ক'লে। মাধৱে 'হয়' বা 'নহয়' একোৱেই নোকোৱাত কাশীনাথে গমিলে যে—কথাটো 'হয়', তাৰ কোনো আপত্তি নহয়।

কাশীনাথে মাধৱক ক'লে, "বোপা, বৌয়েৰা কিছু কোমল স্বভাৱৰ, সেইহে, তোমাৰ মাৰাই তাইৰ ওচৰত ইচ্ছামতে ব্যৱহাৰ কৰিব পাৰিছিল, কিন্তু বিমলা অতি বুদ্ধিমতী আৰু বৰ স্পষ্টবাদিনী। গতিকে—তুমি চিন্তা নকৰিবা। মোৰ ধাৰণা, বিমলাই তোমাৰ মাৰাক কিঞ্চিত শুধৰাব পাৰিব আৰু তাৰ পাছত হয়তো এদিন কেশৱহঁতো পুনৰ ইয়ালৈ—মানে ঘৰলৈ ঘূৰি আহিব পাৰিব।"

বিয়াৰ সামান্য কিছুমান দিনৰ পাছতেই বিমলাই কৰৰপৰা কণ্ঠলৈ গোটাই চালে, ঘৰখনৰ, বিশেষকৈ শাহুৱেকৰ লৰ কিমানলৈ—তাৰো হিচাপ কৰি ল'লে। নিজৰ যদিও কোনো দোষ-জগৰ নাই, তথাপি, বিমলাই শাহুৱেকৰ মুখৰ চোকা কথা অকাৰণ ইতিকিং আদি সহি থাকিল, তাই একোৱেই নোকোৱা হ'ল, বা বেয়া আচাৰ-আচাৰণো নকৰা হ'ল। এই কথাত কাশীনাথে বৰ আচৰিত মানিলে। তেওঁ ভাবিলেঃ এতিয়াও নতুন হৈ আছে, গতিকে মাত মতা নাই, পুৰণি হওক, তেতিয়া কাঁহে কাঁহে লাগিবই।



কামিনীয়ে কাটি কাটি ডেকুৰ দিয়েই থাকে, কিন্তু বিমলাজনীৰ সহনশক্তিয়ে কামিনীৰ কৌশলক পৰাভূত কৰে; শাহুৱেকে উচটাই গাই বোৱাৰ খুজিলেও বোৱাৰীয়েক উজাই নাপাতে।

আৰু—এদিন যেতিয়া কামিনীজনী

গোসাঁনী-মন্দিৰলৈ গ'ল, তেতিয়া কাশীনাথে তেওঁৰ বোৱাৰীক ক'লে, "আই তুমি আমাৰ ইয়ালৈ অহাৰেপৰাই মই দেখি আছোঁ তোমাৰ গুণ। তোমাৰ শাহুৰেৰাই তোমাক অনাৱশ্যকভাবে চট চটাই থাকে, আৰু তুমি ধৈৰ্য্যৰ প্ৰতিমূৰ্তি হৈ সহি থাকা। তুমিয়েই যে সেইজনী ছোৱালী, যিজনীয়ে কাপোৰৰ বেপাৰী মতিৰামক টেঁটুত ধৰিছিলা—অসংকোচে তাক এশিকনি দিছিলা—এতিয়া মোৰ পক্ষে ভবাটোও টান হৈছে।"

শহুৰেকৰ কথাত মিচিকীয়াই হাঁহি বিমলাই ক'লে, "কাপোৰৰ বেপাৰীক অসংকোচে ক'ব পাৰিছিলোঁ — তেওঁ আমাৰ আত্মীয়-কুটুম নাছিল। কিন্তু ইয়াত কথা বেলেগ, ইয়াত তেওঁ মোৰ পতিৰ মাতৃ, মোৰো মাতৃ। গতিকে—পাৰ্থক্য আছে। সকলো কথা সকলোতে সমান নহয়—সমান হ'ব নোৱাৰে। ইয়াত—সহনশক্তিৰেই এদিন শান্তিৰ নিজৰা বোৱাই আনিম—এয়ে মোৰ পণ। ইয়াত সংঘৰ্ষৰ কোনো স্থান নাই, ইয়াত লাগিব অপাৰ প্ৰেম।"

বোৱাৰীৰ কথাত কাশীনাথৰ চুচকু সেমেকি উঠিল। তেওঁৰ মৰমসনা মাতেৰে ক'লে, "আই আমাৰ, বয়সত তুমি সৰু, সামান্য বুদ্ধি থকা কিন্তু যেইকোনো বুদ্ধয়ো তোমাৰ কথা শুনি লাজ পাব নিজৰ জীৱনৰ অতীতৰ কথা ভাবি। পিছে—তোমাৰ শাহুৰেৰাৰ দৃষ্টিত তুমি কিন্তু ধৈৰ্য্য-সহ্যৰ প্ৰতিমূৰ্তি নহয়, তেওঁ তোমাক নিশ্চয় ভয়াতুৰা বুলিয়েই ভাবে। তোমাৰ কষ্ট দেখি মোৰো বৰ কষ্ট হৈছে, তুমি ইমান যে ভাল, কিন্তু তোমাৰ ইমান যে দুৰ্কপাল! পিছে—তোমাৰ ইমান দুখ পাতলাবলৈকো মোৰ কোনো উপায় নাই।—মোৰো এই কপাল।" এই বুলি আক্ষেপ প্ৰকাশ কৰি কাশীনাথ ঘৰৰপৰা ওলাল।

আৰু ওলোৱা মাত্ৰেই পৰিবাৰ

কামিনীৰ সৈতে দেখাদেখি হ'ল। কিন্তু কাশীনাথে কামিনীক একো নক'লে বা নুসুধিলে, আনকি ঘূৰিও নাচালে।

সেই দিনাই ৰাতিৰ পৰতে—খোৱা-বোৱাৰ সময়ত — কামিনী আছিল একেবাৰে নিৰ্জু. শান্ত। কামিনীয়ে আন দিনাৰ দৰে কোনো ধৰণৰ বিৰক্তি প্ৰকাশ কৰা নাছিল। কামিনীয়ে কাশীনাথক কৈছিল, "কাইলৈ — এটি শুভ দিন। আপোনাৰ অলপ সময় হ'বনে?"

কাশীনাথে ভুৰু কোঁচাই সুধিলে, "কথা কি—?"

কামিনীয়ে তলমূৰ হৈ ক'লে "আমি কাইলৈ আমাৰ কেশৰক আৰু বোৱাৰীক ইয়ালৈ লৈ আহিমগৈ।"

পৰিবাৰৰ কথা শুনি আচৰিত মানি কাশীনাথে ক'লে, "কি কৈছা? কথাটো আকৌ কোৱাচোন—শুনো?"

কামিনীয়ে শান্ত কণ্ঠেৰে ক'লে, "আজি গোসাঁনী-মন্দিৰত ভজনৰ কাৰ্য্যক্ৰম নাছিল গতিকে—মই মন্দিৰৰপৰা তৎক্ষণাৎ উভতি আহিছিলোঁ। আহি — ঘৰৰ বাহিৰত বৈ থাকি তোমালোকৰ কথা— তোমাৰ আৰু বোৱাৰীৰ মাজত হৈ থকা কথাখিনি—শুনিছিলোঁ। ইমানদিন ধৰি মই যি আচৰণ কৰিছিলোঁ, সেই আচৰণৰ মূৰ্খতা এতিয়া মই বুজি পোৱা হ'লোঁ। জীৱনৰ প্ৰধান অৱলম্বন যে প্ৰেম—কটু-কটুৰ আচৰণ নহয়—এতিয়া সেই জ্ঞান মোৰ হ'ল। তেতিয়াই মোক তোমা-লোকৰ কোনোবাই এইটি কথা বুজাই কোৱাহেঁতেন, ইমান অথন্তৰ নহ'লহেঁতেন। তথাপি—যি হ'ল হ'ল—এতিয়া মিটাব লাগে সকলো গণ্ডগোল। প্ৰতিখন ঘৰ— যেনিবা একোটি ফুল, আৰু সেই ঘৰৰ সৰু-সুৰা অনিয়ম-অন্যায়বোৰ যেনিবা সেই ফুলৰ ঠাৰিৰ কাঁইট। ফুলৰ ঠাৰিৰ এই কাঁইট গুচাব লাগে।"

পুনৰ্মূষিক

প্ৰচণ্ড ধুমুহাত নাও ডুবোঁ ডুবোঁ হ'ল। নাৱত আছিল তিনিজন। ধুমুহাই নাৱৰে সৈতে তিনিওজনক এক নিমাওমাও দ্বীপলৈ লৈ গ'ল। এই দ্বীপত আছিল মানান ৰসাল ফলৰ গছ, আৰু নৈ এখন, নৈত হামাৰভাৱে মাছ। তিনিও শুই-বহি জুৱা খেলি খেলি দিন কটাবলৈ ধৰিলে।

এই তিনিজনৰ এজন আছিল এক গাঁওবুঢ়া, এজন আছিল খেতিয়ক, আৰু আন জন আছিল একেবাৰে নিকষ্টকীয়া নিষ্কৰ্মা।

এদিন তিনিও সাগৰ পাৰ ঘূৰি ফুৰোঁতে গাঁওবুঢ়াই সাগৰৰ ঢৌৰ লগত বাগৰি অহা বটল এটা দেখা পালে, খেতিয়কে বটলটো বুটলি আনিলে, আৰু—নিকম্মাই বটলটোৰ ঠিলাটো খুলি পেলালে।

আৰু লগে লগেই বটলটোৰ ভিতৰৰপৰা ভূত এটা ওলাই আহি হা-হাকৈ হাঁহিবলৈ ধৰিলে।

ভূতৰ ভয়ত তিনিও থৰ-কাছুটি হেৰুৱাই দৌৰি পলাবলৈ ধৰা দেখি ভূতটোৱে কৈ উঠিল, "হে—এ - ৰি ডাঙৰীয়াইত! তোমালোকে মোক বটলত বন্দী হৈ থকাৰপৰা মুক্ত কৰিলে, গতিকে নপলাবা, ৰ'বাহে ৰ'বা, মই তোমালোকৰ এটাকৈ ইচ্ছা পূৰাম, যি বিচাৰিবা তাকে দিম, কোৱা কি লাগে।"

গাঁওবুঢ়াই ক'লে, "মোক মোৰ গাঁৱলৈ পোঁছাই দিয়া, আৰু একো মোক নালাগে।"

ভূতে ক'লে, "হুউছ!" আৰু লগে লগে গাঁওবুঢ়া তাৰপৰা নোহোৱা হৈ গ'ল।

খেতিয়কে ভূতটোক ক'লে, "মোৰ ফচল পকিল, মই মোৰ খেতি-পথাৰলৈ যাব পৰাহেঁতেন—"

ক'বলৈহে দেৰী, যাবলৈ দেৰী নাই। ভূতে কৈ উঠিল, "হুউছ!" আৰু লগে লগে খেতিকে নিজৰ খেতি-পথাৰত।

নিকম্মাই ক'লে: এচ্! সিহঁত দুটাক ইয়াতে পোৱাহেঁতেন জুৱা খেলি দিন কাটব পাৰিলোহেঁতেন।

ভূতটোৱে কৈ উঠিল, "হুউছ!" লগে লগে খেতিয়ক আৰু গাঁওবুঢ়া পুনৰ সেই ঠাই পালেহি।



১

[ট্ৰয়-বিজয়ৰ অন্তত গ্ৰিক সৈনিকহঁত যেতিয়া স্বদেশাভিমুখী হ'ল, তেতিয়া প্ৰাকৃতিক বিপৰ্য্যয় আৰু অন্যান্য বিভিন্ন কাৰণ, আৰু আত্ম-কলহৰ ফলতো বহুতেই স্বদেশলৈ উভতিব নোৱৰা হ'ল। ৰূপধৰক জ্যোতিষীহঁতে, বিশেষকৈ কাংস্তুক-জ্যোতিষীয়ে কৈছিল যে ৰূপধৰে বিছ বছৰতো নিজ ভূমি পাবগৈ নোৱাৰিব। সেই বিছ বছৰৰ মাজত দহ বছৰ ট্ৰয়-বিজয়তে গ'ল আৰু তাৰ পৰৱৰ্তী দহ বছৰ ৰূপধৰৰ জীৱনত নানান বিচিত্ৰ বিচিত্ৰ ঘটনা ঘটি থাকিল। এই সংখ্যাৰপৰা ৰূপধৰৰ স্বদেশ-যাত্ৰাকালৰ সেই বিচিত্ৰ বৈচিত্ৰ্যময় ঘটনাৰ বিৱৰণ দিয়া হৈছে।]

ট্ৰয়ৰ সমুদ্ৰতট এতিয়া ধূৰলী-কুঁৰলী হৈ আহিছে, বিপৰীত বায়ু-প্ৰবাহে ৰূপধৰৰ মাৰনাওবিলাকক বেয়াকৈ থেকেচিছে, আৰু দক্ষিণদিশলৈ যাবলগীয়া নৌকাবোৰ উত্তৰদিশীয়া হৈ অঠাই পানীৰ বুকু ফালি ফালি কাঁড় ঘোৰাদি গৈ আছে।

এই দৰে গৈ গৈ ৰূপধৰৰ নৌকাবোৰ ইছমৰোছৰ সাগৰ-তট পালেগৈ। এই ঠাইত অৰ্ধ-বৰ্বৰ কিকোলীয়হঁতৰ বাস।

ৰূপধৰৰ সৈন্যহঁতে কিকোলীয়হঁতৰ বজাৰ-নগৰ আক্ৰমণ কৰিলে আৰু এই আক্ৰমণৰপৰা পোৰা ঘৰচীয়া পশু-প্ৰাণীবোৰ অধিকাৰ কৰিলে।

ৰূপধৰে তেওঁৰ সৈন্যহঁতক ক'লে, "জলদি কৰা—এই ঠাই যিমান শীঘ্ৰে এৰিব পাৰি, সিমানেই মংগল।"

কিন্তু সৈন্যহঁতৰ তেতিয়া আৰু খৰখেদা নাই। কিয়নো, কিকোলীয়হঁতৰ বজাৰত



সিহঁতে বিধোবিধ অন্যান্য সোৱাদ-সোৱাদ খোৱাবস্তুৰ লগত বঢ়িয়া কিচিমৰ ফটিকাও বুজন পৰিমাণেই পোৱা হৈছিল। সিহঁতে সমুদ্ৰতটত বহি হৈ-চৈ কৰি কৰি লুট কৰি অনা ছাগলী-দামুৰি আদি কাটি-মাৰি জুইত সেঁকি ফটিকাৰে সৈতে ফস্তি মাৰি খাই খাই মহা ফূৰ্তিত ডুব গৈছিল।

তিমানতে বজাৰৰপৰা ফৰিংছিটিকা দিয়া সেই কিকোলীয়হঁতে গাঁৱলৈ লবৰি গৈ অসংখ্য যুঁজাৰু আৰু লাঠী-যাঠি-বৰছা-কটাৰী-হাতুৰী আৰু চটাচটে চোকা চোকা জোঙামুখীয়া শিল প্ৰচুৰ পৰিমাণে লৈ আহিল আৰু আহিয়েই ৰূপধৰৰ মদপী সৈন্যহঁতৰ মাজত কিছুমানক খতম্ কৰি পেলালে। দুৰন্ত কিকোলীয়হঁতৰ সংখ্যা ইমানেই অধিক আছিল যে ৰূপধৰৰ মনত এই ভয় সোমাল — ইহঁতে মৰণ-পণ অক্ৰমণ কৰে যদি—তেওঁ সসৈন্যে মৰিব লাগিব। গতিকে ৰূপধৰে তেতিয়াই নাৱত উঠি অসীম সমুদ্ৰৰ বুকুত পুনৰ নাও মেলি দিলে।

সমুদ্ৰত তেতিয়া প্ৰচণ্ড পূবাল বায়ু সবেগে বলি আছিল। আকাশখনক ক'লীয়া ডাৱৰে ছানি ধৰিছিল আৰু মাজে মাজে বহু বহু দূৰৈত—যেনিবা আকাশৰ শেষ সীমাত নিশৰদে বিজুলী চমকি চমকি উঠিছিল। কোবাল বতাহেৰে যেতিয়া নাৱৰ পাল ছিঙো ছিঙো হৈছিল, তেতিয়া ৰূপধৰৰ আদেশত অটাইবোৰ নাৱৰ পাল খুলি পেলোৱা হৈছিল আৰু নাওবোৰ উত্তাল সমুদ্ৰৰ বুকুত দিশহাৰা হৈ অনিৰ্দিষ্ট দিশলৈ সবেগে উটি-ভাহি গৈছিল।

এইদৰে মহাবিপদৰ মাজেদি তিনিদিন পাৰ হ'ল। চাৰিদিনৰ দিনা বেলিয়ে কথামপি ভুমুকি মাৰিলে আৰু তেতিয়াহে ৰূপধৰৰ সৈন্যহঁতে আৰু স্বয়ং ৰূপধৰেও জীৱ ঘূৰাই পোৱা যেন পালে।

ৰূপধৰে নাওবিলাকক তীৰলৈ লৈ যাবলৈ আদেশ দিলে, আৰু প্ৰাণান্তকৰ

পৰিশ্ৰম কৰি সৈন্যইঁতে নাওবিলাকক তীৰৰ প্ৰায় সমীপৱৰ্তী কৰিলে। সমুদ্ৰ-তীৰস্থ এই অঞ্চলৰ উত্তৰ দিশেদি ভটীয়াই গৈ থাকিলেই ৰূপধৰে তেওঁৰ স্বদেশ ইথাকা পালেগৈহেঁতেন।

কিন্তু পুনৰ প্ৰচণ্ড বায়ুপ্ৰবাহৰ ফলত সমুদ্ৰ বিক্ষুব্ধ হৈ উঠাত নাৱৰীয়াইঁতে নাও-বোৰক আয়ত্তাধীন ৰাখিব নোৱাৰিলে।

নওদিন - নওৰাতি ঝটিকা - বিক্ষুব্ধ তৰংগসংকুল সাগৰৰ বুকুত প্ৰাণৰ মায়া এৰি ৰূপধৰ আৰু তেওঁৰ সৈন্যহঁত নিয়তিৰ ইচ্ছাৰেই কিজানি কথমপি জীয়াই থাকিল। আৰু দৈৱানুগ্ৰহত দহ দিনৰ দিনা ৰূপধৰে ছঁয়া-মায়া তীৰ দেখা পালে।

এই সমুদ্ৰতীৰস্থ মানুহ বিলাকে কিছু কিছু খাদ্যদ্ৰব্যৰ লগত ঘাইকৈ একপ্ৰকাৰৰ ফল খাই জীৱনধাৰণ কৰিছিল। এই ফলৰ গছ এই অঞ্চলৰ য'তে ত'তে বিয়পি আছে, আৰু ফলও প্ৰচুৰ পৰিমাণে উৎপাদিত হয় প্ৰাকৃতিক নিয়মে। খালে নিচা হয়, কানি বৰবিহৰ নিচাহেন নিচা। অতি ৰাগিয়াল ফল। এই ফল কিছুখিনি খোৱাৰ পাছত খাওঁতাই আত্ম-বিস্মৃত হৈ পৰে, স্থান-কাল পাহৰি যায়, আনকি পুত্ৰ কন্যা-পৰিয়ালৰ কথাও মনত নপৰা হয়, আৰু চিন্তাশক্তি হয় সম্পূৰ্ণ লুপ্ত।



কিন্তু ৰূপধৰে এইবোৰ কথা কেনেকৈনো জানিব? তেওঁ নাজানে। আৰু সেইহে সৈন্যহঁতক এই ঠাইৰ মানুহ-বিলাকৰ চিনাকি লৈ আহিবলৈ পঠালে।

আৰু সিহঁত তালৈ গৈয়েই সাদৰ অতিথ্য পাই, সেই ফল খাই মতলীয়া হৈ পৰিল, ৰূপধৰৰ কথা পাহৰি থাকিল।

বহু সময়ৰ অন্ততো যেতিয়া সিহঁত নুভতিল, ৰূপধৰে সিহঁতক বিচাৰি ওলাল। আৰু তালৈ গৈয়েই ৰূপধৰে বুজি পালে যে—আচল কথা কি।

সেই ঠাইৰ থলুৱা মানুহবিলাকে ৰূপধৰৰ প্ৰতিও সন্মানিত আতিথ্য প্ৰদৰ্শন



কৰি আথেবেথে বহুৱালে, আৰু সেই মৌ-মিঠা ফলবোৰ তেওঁকো খাবলৈ দিলে।

কিন্তু ৰূপধৰ সাধাৰণ সৈন্য নহয়, হুঁচিয়াৰ সেনাপতি ৰূপধৰে সেই বিষম বিষাল ফল হাতেৰেও স্পৰ্শ নকৰা হ'ল। এই ফলৰ ফলতহে যে সৈন্যহঁত আত্ম-বিস্মৃত হ'ল, সেই কথা ৰূপধৰে মুহূৰ্ততে উপলব্ধি কৰিব পাৰিলে আৰু সেইহে এই আকাৰ্যণীয় ফল খোৱাৰপৰা বিৰত হৈ থাকিল। আৰু তেওঁ তেওঁৰ সৈন্যহঁতক বলপ্ৰয়োগ কৰি নাৱলৈ লৈ গ'ল। সৈহ্য-হঁতে ৰূপধৰৰ সৈতে যাবলৈ অস্বীকাৰ কৰি কৰি 'তোমাৰ লগত নাই কাম—আমি এই ঠাই এৰি ক'লৈকো নাযাম' বুলি প্ৰাণপণে চিঞৰিছিল; কিন্তু সিহঁতো বাৰেৰে আৰু ৰূপধৰো তেৰেৰে হোৱাত সিহঁত কাণত ধৰি যাবলৈ বাধ্য হৈছিল।

অবাধ্য সৈন্যবিলাকক নৌকাত ভৰাই লৈ ৰূপধৰে তৎক্ষণাৎ সেই বিপদজনক ঠাই এৰি নৌকাবোৰ এৰি দিলে আৰু একে-ৰাহে কেইদিনমান ধৰি সমুদ্ৰৰ বুকু ফালি গৈ গৈ এদিন এক জোনাক নিশা এক প্ৰশস্ত আৰু প্ৰশান্ত সমুদ্ৰতট পালেগৈ। তেতিয়া আকাশত মেঘাবৃত জোন আৰু সমুদ্ৰৰ বক্ষ কুঁৱলীৰে আচ্ছন্ন। ৰূপধৰে ভাবিলে: যি হয় হওক, ৰাতিছোৱা ইয়াতে খপা যাওক। কালিলৈ পুৱা এই ঠাইৰ ভু লোৱা যাব। তেওঁলোকে নাওবিলাক নঙৰ কৰি সমুদ্ৰতীৰতে শুই টোপনিৰ কোলালৈ আত্মসমৰ্পণ কৰিলে।

ৰাতি পুৱাল। সৈন্যহঁত, আৰু ৰূপধৰো সাৰ পোৱা হ'ল। এই ঠাইডোখৰ যে দৰাচলতে এটি সমুদ্ৰিক দ্বীপ— সেই কথাত ৰূপধৰ নিসন্দেহ হ'ল। দ্বীপখন নিমাও-মাও যেনেই লাগিল। ক'তো কোনো ৰাও-শৰদ নাই। কিন্তু তাত প্ৰচুৰ আঙুৰ-লতা আৰু থোপা-থোপে ৰসাল আঙুৰ পৰিলক্ষিত হ'ল। বোধ হয়—বনৰীয়া আঙুৰেই হ'ব: ৰূপধৰে ভাবিলে।

আৰু এই নিৰৰ-নিশৱদ দ্বীপত তেওঁলোকৰ যে কোনো আকস্মিক বিপদ নহ'ব, সেই কথাতো সকলোটি প্ৰায় নিঃচিন্ত হ'ল।

সৈন্যইঁতৰ কিছুমানক লগত লৈ ৰূপধৰ সেই দ্বীপত ঘূৰি-ফুৰি থাকিল। গৈ গৈ এঠাইত সৈন্যইঁতে এডৰা হাবিৰ কাষত এজাক বনৰীয়া ছাগলী দেখা পোৱা হ'ল আৰু সৈন্যইঁতে যাঠিৰে সেই ছাগলীবোৰক খুচি খুচি জখম কৰি পাকৰাও কৰি নৱলৈ লৈ অহা হ'ল আৰু সিবিলাকৰ ছাল বখলিয়াই জুইত সেঁকি মহা ফূৰ্তিৰে ফস্তি মাৰি খাই থাকিল।

চাওঁতে চাওঁতে বেলিয়ে লাহ দিলে। আৰু লগে লগে ৰূপধৰে কিছু দূৰৈত অন্য এক দ্বীপত এক অভাৱিত দৃশ্য দেখি ৰৈ দিলে: তেওঁলোকে নিমাও-মাও :বুলি ভবা এই দ্বীপৰ বিভিন্ন ঠাইত জুহালত জুই দিয়াত ধোঁৱা উঠাৰ দৰে ধোঁৱা উঠিছে, আৰু ছাগলীৰ মেৰনি আৰু কুকুৰাৰ মাতো বতাহত ভাহি আহিছে!

ৰূপধৰে তেওঁৰ সৈন্যইঁতক ক'লে, "মই সৌখন দ্বীপলৈ যাম আৰু তাত কোন ধৰণৰ মানুহ আছে চামগৈ। তাৰ পাছত মই ঠিক কৰিম—এতিয়া আমি কি কৰিম-ক'লৈ যাম। তোমালোক নাৱতে থাকিবা। খবৰ্দাৰ! নাৱৰপৰা কোনো এজনো ক্ষন্তেকৰ বাবেও নানামিবা।"



সোণ-ৰূপো দিলে।

ৰূপধৰে তেওঁৰ সাহিয়াল সৈন্যইঁতক লগত লৈ গুহা-মুখ পালেগৈ ; কিন্তু সেই প্ৰকাণ্ড গুহাৰ ভিতৰৰপৰা কোনো ধৰণৰ ৰাও-শৰদ নোলাল।

গুহাটো আছিল এটা বিৰাট গুহা। ৰূপধৰৰ ধাৰণা হ'ল : এই গুহাত নিশ্চয় কোনো মানুহ নাথাকে। এই গুহা হয়তো কোনো অজান ভয়ংকৰ প্ৰাণীৰ বাসস্থান। সেই প্ৰাণী যদি বিশ্বজগতৰ কোনোবা প্ৰাচীনতম ভয়াবহ প্ৰাণী হয়—তেনেহ'লে হয়তো একেথাপে তেওঁক গিলি পেলাব !

পিছে—ৰূপধৰ ভয়-পাতুৰা নাছিল, আছিল অতি সাহসী গ্ৰিক বীৰ। গতিকে —তেওঁ গুহা-নিবাসী সেই কল্পিত প্ৰাণীলৈ বাট চাই তাতেই ৰৈ থাকিল।

আৰু অৱশেষত সেই প্ৰাণী উপস্থিত হ'ল। এনেহেন অদ্ভুত আৰু ভয়ংকৰ-দৰ্শন প্ৰাণী—গ্ৰিকসকলে কদাপি দেখা নাছিল বা এনেহেন প্ৰাগৈতিহাসিক প্ৰাণীৰ কথা শুনাও নাছিল। ভয়াবহ-দৰ্শন প্ৰাণীটোক দেখা পোৱামাত্ৰেই ৰূপধৰৰ সৈন্যকেইজনে থৰ-কাছুটি হেকৰাই লৰ ধৰিলে। কিন্তু ৰূপধৰ অটল ভাবে তাতেই ৰৈ থাকিল।

এই আচৰিত-অদ্ভুতদৰ্শন প্ৰাণীটো প্ৰায় তালগছৰ সমান ওখ, আৰু তাৰ মূৰৰ

বছা বছা বাৰজন সাহিয়াল সৈন্য লগত লৈ লৈ ৰূপধৰ নাৰেৰে সেই 'ধোঁৱা-উঠা' দ্বীপলৈ গ'ল, আৰু সৰু টিলা এটাত প্ৰকাণ্ড গুহা এটাৰ আগত নৌকাৰে সৈতে ৰ'লগৈ।

সেই গুহামুখত নামিয়েই ৰূপধৰে তাত এজন পুৰোহিত আৰু পুৰোহিতৰ পুত্ৰ-পৰিবাৰক লগ পালে ; কিন্তু ৰূপধৰে সিহঁতক অযথা হত্যা নকৰিলে। তাৰ ফলত সেই পুজাৰীয়ে ছাগলীৰ চামৰাৰ মোনাত ভৰাই এবিধ ৰাগিয়াল কিন্তু সোৱাদ ফটিকা উপহাৰস্বৰূপে ৰূপধৰলৈ আগ বঢ়ালে, আৰু লগতে কিছুখিনি

ওপৰত মাত্ৰ এটা চকু, যিটো চকুৰপৰা যেনিবা একুৰা জুইহে ওলাই আছে!

এই প্ৰাণীটো আছিল 'ফাললোচন' জাতিৰ মানুহ। হয়, দেখাত ভয়ংকৰ জন্তুহেন হ'লেও — এজাতিৰ মানুহেই হয়। এই প্ৰজাতিৰ মানুহৰ কোনো সমাজিক জীৱন নাই. নিজৰ সুখ-দুখেই প্ৰথম আৰু শেষ কথা, আনৰ বাবে চিন্তাৰ চিন্তাও ইহঁতৰ মনত বা মগজুত নাই। এই ফাললোচনীয়াইঁতে খেতি-বাতিও নকৰে, যদিও এই ঠাইৰ মাটি তেনেই সাৰুৱা। খেতি-বাতি কৰাৰ আৱশ্যকতা বোধ নকৰাৰ ঘাই কাৰণ হ'ল—অফুৰন্ত বনজ ফল-মূল আৰু বনৰীয়া জন্তুবোৰ তথা বিভিন্ন বনৰীয়া ছাগলী, গৰু, ম'হ আদিৰ মঙহ কেঁচাই কেঁচাই বা জুইত সেঁকি ভক্ষণ। কেনেবাকৈ জুইৰ ব্যৱহাৰ ইহঁতে জানিছিল। আৰু—গৰু-ছাগলীৰ বা ম'হৰ গাখীৰো খীৰাই খাবলৈ জানিছিল। ইএ-বোৰৰ বাহিৰে ফাললোচনীয়াইঁজে আন কোনো কামকে কৰা নাছিল।

ইহঁত—মূলতঃ ৰাক্ষস-বংশীয়। নিজৰ বাসস্থানৰ বাহিৰে—একমাত্ৰ সমুদ্ৰৰ পাৰ-কূল নোহোৱা অঠাই পানীৰ বাহিৰে—জগতত আৰু কিবা থকাৰ কথা ইহঁতে সমূলি নাজানিছিল আৰু সেইহে ইহঁতে নিজৰ বাসস্থান এৰি ক'লৈকো যোৱাৰ কল্পনাও কৰিব পৰা নাছিল।

ৰাক্ষসহেন এই এচকুৱা ফাললোচনে তাৰ জুইহেন দৃষ্টিৰে ইফালে-সিফালে চাই হঠাৎ গগনফলা আটাহ পাৰি শিলহেন থিয় হৈ থকা ৰূপধৰলৈ ভয়ানক ধৰণে দৃষ্টিপাত কৰি চিঞৰি উঠিল:

"এ হে হে—! তোমালোক কোন?"

আৰু এচকুৱা ফাললোচনৰ বজ্ৰহেন মাতৰ এই বিকট চিঞৰ গুহাত আৰু পাহাৰৰ গাত ঠেকা খাই ধ্বনিত-প্ৰতিধ্বনিত হৈ থাকিল……। [আগলৈ

চান্দমামা-সম্বাদ

বিজয়ী ত্ৰয়ী

তিনিও একেলগেই জনমিছিল—মহেশ আৰু মনোজ, আৰু সিহঁতৰ ভনীয়েক মায়া। কেৰালাৰ এৰ্ণাকুলমৰ এই ত্ৰয়ী ভাই-ভনীয়ে একেলগেই কেৰালাত এই বছৰৰ এছ. এছ. এল্. চি. পৰীক্ষা দিলে আৰু তিনিওয়েই প্ৰথম শ্ৰেণীত পাচ্ কৰিলে। ল'ৰা দুটিয়ে ডিস্টিংশ্যান পোৱা হ'ল। এই মেধাৱী ত্ৰয়ীৰ মাক হ'ল স্ট্যাটিস্টিকছৰ

অধ্যাপিকা আৰু দেউতাক হ'ল এক আধা-চৰকাৰী প্ৰতিষ্ঠানৰ অ্যাকাউণ্টছ-অফিছাৰ।

মহা-সহিষ্ণুতা

মহাকাশচাৰী নৰম্যান থ্যাগাৰ্ডে ৮৫ দিন অতিবাহিত কৰাটো আমেৰিকাই শলাগৰ শৰাই পাবলগীয়া ঘটনা নিশ্চয়। জুন মাহৰ ৬ তাৰিখে থ্যাগাৰ্ডৰ এই অভিযান সমাপ্ত হ'ল। ইয়াৰ আগতে ১৯৭৪ চনত ৮৪ দিন ১ ঘণ্টা ১৬ মিনিট মহাকাশত থকাৰ ৰেকৰ্ডো আছে এগৰাকী মহাকাশচাৰীৰ। এওঁলোকে মহাকাশত ৰুশ্ দেশৰ 'স্থায়ী' ঘৰ 'মিৰ'-অত থাকেগৈ। যেতিয়া এজনে মহাকাশচাৰী 'মিৰ' নামৰ মহাকাশীয় ঘৰৰপৰা গুচি আহিবলগীয়া হয়, তেতিয়া অন্য এজন যায়, তেওঁ থাকে—এওঁ আহে। 'তেওঁ' কিমান দিনলৈ কিমান মাহলৈ থাকিব, তেওঁহে জানিব। এয়া মহাকাশীয় 'সহিষ্ণুতা'ৰ কথা। যেৱে যিমান সহিব পাৰে, থাকে। কিন্তু এই মহাকাশীয় সহিষ্ণুতাৰ ক্ষেত্ৰত ৰুশ্ মহাকাশচাৰী ভ্যালেৰি পোলিয়াকফৰ ৪৩৯ দিনৰ 'মহা-সহিষ্ণুতা-ৰেকৰ্ড আজিও অটুট!

বাটৈ টোকা ইমান শিয়ান, খুচৰি খুচৰি লয় গিয়ান

এই চৰাইক বাটৈ টোকা বুলি কোৱা হয়, কিয়নো ইহঁতে গছ-বিৰিখৰ গা-ত বিন্ধা কৰি গছৰ গা-ত থকা পোক-পৰুৱা উলিয়াই খায়। কিন্তু কাঠৰ বাহিৰে আন কোনো বস্তু এইবোৰ বাটৈ টোকা চৰায়ে খুচি-খুন্দি তাও কৰে বুলি কোনেও শুনিছেনে বাৰু? কিন্তু সৌ সিদিনা বাটৈ টোকা চৰায়ে আমেৰিকাৰ মহাকাশ-প্ৰকল্পৰ 'ডিছকভাৰি' মহাকাশযানৰ ওপৰভাগত খুঁটি-খুচি ১০ ছেণ্টি মিটাৰৰ এক বিৰাট-বিন্ধা কৰি পেলালে! কথা মাত্ৰ সিমানেই নহয়, সিহঁতমথাই ইমান সুৰক্ষিত ডিছকভাৰি মহাকাশযানৰ 'লাঞ্চ-প্যাড'ত হেনো বাহও সাজিলে! আৰু এইদৰে ইমান মূল্যবান মহকাশযানখনক ঘূনীয়া কৰি মহাকাশ-বিজ্ঞানীসকলক বিমোৰত পেলালে!

ছুপাৰম্যান ঘাইল হ'ল!

পৃথিৱীৰ দেশে দেশে 'ছুপাৰম্যান'ক নজনা ল'ৰা-ছোৱালী নাই বুলি ক'লেও কিজানি অত্যুক্তি নহয়। ছুপাৰম্যানৰ কাহিনী ল'ৰা-ছোৱালীহঁতে বৰ উছাহেৰে পঢ়ে, আৰু কেতিয়াবা বোলছবিতো দেখে। বোলছবিত খ্ৰিস্টোফাৰ ৰিভ হ'ল সেই কল্পনাৰ বাস্তৱ ছুপাৰম্যান, যি-ছুপাৰম্যান কেতিয়াও কোনো অৱস্থাতে পৰাজিত নহয়। কিন্তু—কিন্তু সম্প্ৰতে সেই অজেয় ছুপাৰম্যান ৰিভ ঘোঁৰাৰপৰা পৰি বেয়াকৈ আহত হ'ল। যদিও ডাক্টৰসকলে অভয় দিছে: ভয় নাই, ছুপাৰম্যান— ছুপাৰম্যানেই হৈ থাকিব!



বিবেক-অবিবেক

তথাপি প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য নদমিল। পুনৰ তেওঁ মৃতদেহটো কান্ধত পেলাই লৈ নিৰৱে-নিমাতে হেজাৰ-বিজাৰ মৃত আত্মাৰ আবাসস্থল মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া সেই মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰাজন্! তোমাৰ যি বয়স, সেই বয়স হ'ল ভোগ-বাসনাৰ বয়স। তাকে নকৰি তুমি যে কিয় এইদৰে ভোগ-বঞ্চিত জীৱন অতিবাহিত কৰিছা, তুমিহে ক'ব পাৰিবা। তোমাৰ এই প্ৰতিজ্ঞাবদ্ধতাৰ বিবেক যে অবিবেকতাৰো নামান্তৰ হ'ব পাৰে; ৰজা আৰু কবি-কাহিনী শুনিলেই উপলব্ধি কৰিবা আৰু নিজৰ বিষয়ে হয়তো স্বতন্ত্ৰ সিদ্ধান্তও ল'ব পাৰিবা। যদি আন কিবা উপকাৰ নহয়, ঔচিত্য-অনৌচিত্যৰ ধাৰণা নিশ্চয় পাবা।" এই বুলি কোৱাৰ অন্তত ক্ষন্তেকমান বৈ বেতালে ক'বলৈ ধৰিলে :

'বেতাল-কথা'

বহু দিনৰ আগতে কৌশাম্বী দেশৰ এখন সৰু গাঁৱত চন্দ্ৰশেখৰ নামৰ এজন অতি দৰিদ্ৰ ব্ৰাহ্মণ-সন্তান বাস কৰিছিল। চন্দ্ৰশেখৰ শাস্ত্ৰজ্ঞানী নাছিল, কিন্তু কাব্য-শাস্ত্ৰত আছিল পাৰংগম। শেখৰে যেতিয়াই-তেতিয়াই মুখে মুখে কবিতা ৰচিব পাৰিছিল আৰু বুদ্ধিশালী-অবুদ্ধিশালী ভেদে সমভাবে কবিতা শুনাইছিল।

এদিন কোনোবা এজনে চন্দ্ৰশেখৰক ক'লে, "শেখৰ, তোমাৰ এই কাব্যগুণৰ আদৰ দেশৰ ৰজাই নিশ্চয় কৰিব। তুমি ৰাজধানীলৈ যোৱা আৰু মহাৰাজক তোমাৰ মধুৰ কাব্যধাৰা শুনোৱাগৈ।"

কথাটো চন্দ্ৰশেখৰৰ ভালেই লাগিল। পোনে পোনেই ৰজাৰ ওচৰলৈ যোৱাৰ কথাতহে কেনেবা কেনেবা লাগিছিল। কিয়নো — এই বিষয়ে কৌশাম্বীদেশৰ ঐতিহ্য হ'ল : কবি হওক শিল্পী হওক— যিকোনো গুণী লোকে ৰজাৰ আনুকুল্য পাবলৈ হ'লে—ৰজাৰ কাষ চপাৰ আগতে নিজ গাঁৱৰ জমিদাৰৰ কাষ চাপিব, জমিদাৰৰ অতিথিশালাত কিছুদিনলৈ থাকিব, আৰু জমিদাৰ ডাঙৰীয়াই সেইজনৰ বাবে ৰজাক চুপাৰিছ কৰি পঠাব —যদিহে তেওঁ ৰজাৰ দৰ্শনপ্ৰাৰ্থীক যোগ্য বুলি ভাবে! —পৰম্পৰাগত এই প্ৰথাক অস্বীকাৰ কৰাৰ ইচ্ছা চন্দ্ৰশেখৰৰ নহ'ল।

কবি চন্দ্ৰশেখৰে জমিদাৰ বীৰবৰ্দ্ধন ডাঙৰীয়াৰ ওচৰলৈ গ'ল।

কিন্তু জমিদাৰ বীৰবৰ্দ্ধনদেৱৰ তালৈ যোৱাৰ পাছত চন্দ্ৰশেখৰ হতাশ হ'ল; কিয়নো সেইদিনাই জমিদাৰ ডাঙৰীয়াৰ জীয়েক প্ৰমীলাক তেওঁলোকৰ ফুলনিত সাপে খুটি মাৰিলে।

চন্দ্ৰশেখৰে পিতৃ-প্ৰদত্ত শুভদিন-শুভ মুহূৰ্ত চাই ঘৰৰপৰা ওলাইছিল, কিন্তু সেই শুভ দিন-শুভ মুহূৰ্ত জমিদাৰৰ কাৰণে অশুভদিন-অশুভ মুহূৰ্ত হ'ল!

তাৰ পাছত—পিতাকৰ পৰামৰ্শমতে



চন্দ্ৰশেখৰ কবি সমীৰপুৰলৈ গ'ল আৰু তালৈ গৈয়েই শুনিলে যে সমীৰপুৰৰ জমিদাৰ সমীৰশৰ্মা ডাঙৰীয়া সম্প্ৰহতে সুকঠিন ব্যাধিৰে আক্ৰান্ত, আৰু অন্যান্য বৈদ্যৰ কথা বাদেই, আনকি অতি উচ্চ খাপৰ চিকিৎসক ধন্বন্তৰী দেৱপ্ৰসাদদেৱ আয়ুৰ্বেদাচাৰ্য্যয়ো জমিদাৰ সমীৰশৰ্মাদেৱৰ ব্যাধিৰ ভু বিচাৰি উলিয়াব পৰা নাই।

এই বাৰো হতাশ-নিৰাশ চন্দ্ৰশেখৰ ঘৰলৈ উভতি খোজ লোৱা হ'ল। চন্দ্ৰশেখৰে ভাবিলেঃ দেউতাৰ কথা দেখিছোঁ একেবাৰে সাৰহীন। দেউতাকৰ কথা মতে আৰু ক'লৈকো নোলাব বুলি চন্দ্ৰশেখৰে স্থিৰ কৰিলে, আৰু বাটৰ এদাঁতিত থকা সৰোবৰ এটাৰপৰা পানী পি-খোৱাৰ অন্তত জিৰণি ল'বৰ মনেৰে এজোপা বৰৰ তলত বহি দিলে।

অলপ সময়ৰ পাছত সেই বৰৰ তলত আন এজন বাটৰুৱাও বহিলহি জিৰাবৰ মনেৰে। এই বাটৰুৱাজনে হঠাৎ কবি চন্দ্ৰশেখৰক ধীৰ মাতেৰে সুধিলে, "মহাশয়, আপুনি কোন—সুধিব পাৰোঁনে?"

চন্দ্ৰশেখৰে যদিও কিঞ্চিত তৰধেই মানিলে, তথাপি ক'লে, "মই কোনো লেখত ল'বলগীয়া মানুহ নহওঁ যে আপুনি এনেকৈ সুধিব লাগে। মই এক হতভুৰা ভাগ্যহীন মানুহ।"

বাটৰুৱাই চন্দ্ৰশেখৰৰ চকুযুৰিলৈ স্থিৰ দৃষ্টিৰে চালে আৰু তাৰ পাছত ক'লে, "আপুনি—আপোনাক সৰস্বতী আইৰ বৰপুত্ৰ যেনেই লাগিছে, আপুনি ভাগ্যহীন নহ'ব নালাগে দেখোন! চাওঁ, আপোনাৰ সোঁহাতখন চাওঁৰেইচোন অলপ।"

এই বুলি কৈ, আগন্তুক বাটৰুৱাজন চন্দ্ৰশেখৰৰ কাষত বহিল আৰু চন্দ্ৰশেখৰৰ হাতৰ ৰেখালৈ নিৰীক্ষণ কৰি থাকিল।

কিছু সময় ধৰি নিৰিষ্টভাবে হস্ত-ৰেখা নিৰীক্ষণ কৰাৰ অন্তত বাটৰুৱাজনে কবি চন্দ্ৰশেখৰক ক'লে, "অহ! তিনি মাহমান

নৰসিংহ জমিদাৰ তেতিয়া যথেষ্ট বৃদ্ধ। তেওঁৰ পাঁচ পত্নী। তেওঁৰ সম্পৰ্কে জনৰৱৰ অন্ত নাই। কিন্তু তেওঁ হেনো প্ৰকৃততেই কাব্যপ্ৰেমী—এই কথা তেওঁৰ সাতো শত্ৰুৱেও ক'ব।

কিন্তু জমিদাৰ নৰসিংহদেৱৰ খাজাঞ্চীয়ে কবি চন্দ্ৰশেখৰৰ উদ্দেশ্যৰ কথা শুনি ক'লে, "আজি হ'ল আমাৰ জমিদাৰ ডাঙৰীয়াৰ স্বৰ্গগত পিতৃৰ বছৰেকীয়া তৰ্পণৰ দিন। আজি গধূলিলৈকে তেওঁ কাৰো সৈতে দেখা-সাক্ষাত কৰিব নোৱাৰিব, কথাও পাতিব নোৱাৰিব।"

খাজাঞ্চীৰ কথাত চন্দ্ৰশেখৰ নিৰাশ হ'ল ঠিকেই, কিন্তু ভাবিলে: আজিয়েই মোৰ দুৰ্ভাগ্যৰ হেস্তনেস্ত কৰিম।

চন্দ্ৰশেখৰে ক'লে, "মই গধূলিলৈকে ইয়াতে তেওঁৰ দৰ্শনলাভৰ কাৰণে ৰৈ থাকিম। আপুনি অনুগ্ৰহ কৰি কবিতা তেওঁ শুনিব— এইকণ বন্দৰস্ত কৰি দিয়ক যাতে মোৰ কবিতা শুনে'।"

কিয় কোৱা নাযায়, খাজাঞ্চীয়ে চন্দ্ৰশেখৰক কথা দিলে, এইখিনি বন্দৰস্ত তেওঁ কৰিব। আৰু তেওঁ চন্দ্ৰশেখৰক জমিদাৰ ডাঙৰীয়াৰ আলহীনিবাসলৈ পঠাই দিলে দিনটো ৰৈ থাকিবৰ কাৰণে।

সাঁজ লাগিল, কিন্তু শেখৰে জমিদাৰৰ

আপুনি কোনো বিশেষ কামলৈ ক'লৈকো নোলাব। তাৰ পাছত—অহা মাঘপঞ্চমীৰ দিনা আপোনাৰ বাসস্থানৰ পূৰ্বদিশত যিগৰাকী জমিদাৰ আছে, তেওঁৰ ওচৰলৈ যাব, আপুনি শুভ ফল পাব।" এই বুলি কৈয়েই বাটৰুৱাজন তাৰপৰা গুচি গ'ল।

মাঘ পঞ্চমীলৈ ঢেৰ দিন। কিন্তু চন্দ্ৰশেখৰে অতি আগ্ৰহৰে আৰু নিষ্ঠাৰে সেই দিনটোলৈ ৰৈ থাকিল।

আৰু ইমান দিনৰ অন্তত মাঘপঞ্চমীৰ দিনা বোৱাৰী পুৱাতে চন্দ্ৰশেখৰ পূবদিশলৈ বুলি খোজ লোৱা হ'ল, আৰু জমিদাৰ নৰসিংহবৰ্মাদেউৰাৰ ওচৰলৈ গৈ থাকিল।

দৰ্শন তেতিয়ালৈকো নাপালে। যেতিয়া সাঁজ লাগি ভাগিল, তেতিয়া খাজাঞ্চীয়ে চন্দ্ৰশেখৰক ক'লে, "মই আপোনাৰ কথা আমাৰজমিদাৰ ডাঙৰীয়াক কোৱাত তেওঁ মোক ক'লে, 'আজি মোৰ পিতাদেৱৰ স্বৰ্গী হোৱাৰ বছৰেকীয়া দিন। এই দিনত— আনকি কাব্যৰ একেবাৰে একো নজনায়ো যদি নিজক কবি বুলি কৈ ইয়ালৈ আহে, সেই কবিক এহেজাৰ এশ এক মুদ্ৰা, পট্টবস্ত্ৰ প্ৰদান কৰিবা, আৰু ঘোঁৰাৰ বাগীৰে সসম্মানে সেই কবিক তেওঁৰ ঘৰলৈ পঠাবা। আৰু—তেওঁক ক'বা যে কালিলৈৰেপৰাই তেওঁ মোক কবিতা শুনায় যেনহি'। —এয়া লওক আপোনাৰ প্ৰাপ্য ধন, এয়া আপোনাৰ বাবে পট্টবস্ত্ৰ। ঘোঁৰাবাগীও সাজু।"

চন্দ্ৰশেখৰে হাঁহিবনে কান্দিব—ভাবি উলিয়াব নোৱাৰি ভেবা লাগি খাজাঞ্চীৰ মুখৰ পিনে নিৰবে-নিমাতে চায়েই থাকিল। ইয়াকে কয়নে—গছত কঁঠাল, গোঁফত তেল নৌখাওঁতেই চেলবেল? কবিতা শুনাবলৈ আহিছিল, নুশুনোৱা-কৈয়ে ধন-মান? সন্দেহ নাই এই জমিদাৰ ডাঙৰীয়াই নিশ্চয় আনুকূল্য কৰিব।

চন্দ্ৰশেখৰে বাৰে বাৰে কৃতজ্ঞতা প্ৰকাশ কৰি, এসময়ত জমিদাৰৰ

খাজাঞ্চীৰপৰা বিদায় ল'লে।

তাৰ পাছত—কবি চন্দ্ৰশেখৰ এবছৰৰ বাবে জমিদাৰ নৰসিংহদেৱৰ সভা-কবি হৈ থাকিল; কিন্তু নৰসিংহ জমিদাৰে কবি চন্দ্ৰশেখৰক ৰজাৰ ওচৰলৈ পঠাবলৈ কোনো ধৰণৰ চুপাৰিছ অদ্যাপি নকৰিলে।

এবছৰৰ অন্তত এদিন কবি চন্দ্ৰশেখৰ ঘৰমুৱা হ'ল। ঘোঁৰা-বাগীৰে নহয়, পদ-ব্ৰজেৰে। থিয় ৰ'দৰ মাজেদি খোজ দি দি পৰিশ্ৰান্ত আৰু তৃষ্ণাৰ্তও হৈ পৰিছিল চন্দ্ৰশেখৰ। অলপমান আঁতৰত ডাঙৰ পুখুৰী আৰু ৰৰ এজোপা দেখা পাই চন্দ্ৰশেখৰ তালৈ গ'ল, আৰু পানী খাই

বৰগছৰ তলত জিৰণিৰ মনেৰে বহিল।

লগে লগে পাগুৰী পিন্ধা অন্য এজন বাটৰুৱা তালৈ আহিল, আৰু বাটৰুৱাজনে চন্দ্ৰশেখৰলৈ চাই চাই মিচিক-মাচাককৈ হাঁহি থাকিল।

তাৰ পাছত সেই বাটৰুৱাজনে চন্দ্ৰশেখৰক সুধিলে, "মহাশয়, আপুনি কোন—সুধিব পাৰোঁনে ?"

শুনামাত্ৰেই কথাষাৰ আগতেও এবাৰ শুনাৰ কথা বিজুলী-চমকে মনত পৰিল চন্দ্ৰশেখৰৰ। তেতিয়া শেখৰে নিজক 'ভাগ্যহীন' বুলি উত্তৰ দিছিল।

এতিয়া চন্দ্ৰশেখৰে ক'লে, "মই এজন মানুহ, ভাগ্যদেৱী মোৰ মাতৃ, আৰু দুৰ্ভাগ্য মোৰ পিতৃ।"

চন্দ্ৰশেখৰৰ কথাত বাটৰুৱাই আচৰিত মানিলে আৰু সুধিলে, "আপুনি এইবোৰ কিনো কৈছে, ডাঙৰীয়া ?"

চন্দ্ৰশেখৰে ধীৰ-স্থিৰ মনেৰে ক'লে, "ক্ষমা কৰিব, হয়তো বেবেৰিবাঙেই বকিলোঁ। এতিয়া, আপোনাৰ প্ৰশ্নৰ উত্তৰত কবিতা শুনাওঁ, শুনক।" এই বুলি কৈ, চন্দ্ৰশেখৰে আগন্তুক বাটৰুৱাক বৰ আগ্ৰহেৰে মুখে মুখে ৰচি কবিতা শুনালে। এই কবিতাৰ সাৰমৰ্ম আছিল :

জোনাক নিশা ফুলনিত ফুলৰ সুবাস বিয়পি পৰিল আৰু সেই সুবাসে মকৰন্দই তৃপ্তি লভিলে। কিন্তু তেতিয়া এক অপূৰ্ব সুন্দৰীও সেই ফুলনিতে বিষাদ মনেৰে বহি আছিল, আৰু দয়াৰ্দ্ৰ ফুলে সেই সুন্দৰীক সুধিছিল, 'আজিৰ এনেহেন জোনাক নিশা সুখদায়ী পুষ্পগন্ধ আৰু সুৰলা ছন্দৰ মাজতো কিয়নো এনেকৈ বেদনাগধুৰ হৈ বহি আছা ?' এই কথাৰ উত্তৰত সেই সুন্দৰীয়ে ফুলক ক'লে, 'মই তো গীতৰ মূৰ্ছনাৰূপী ফুল নহওঁ, মোৰ তো আনন্দ দিব পৰা ভ্ৰমৰ নাই, সোৰ কাৰণে আছে কেৱল বিষাদৰ বাঁই-জাঁই'!

কবি চন্দ্ৰশেখৰে সেই আগন্তুক

বাটৰুৱাক ক'লে, "এই সুন্দৰী হ'ল মোৰ কবি-হৃদয়ৰ কবিতা-কন্যা। নিজৰ দুৰ্ভাগ্যক নিজৰ মাজতে সামৰি পৰিয়াল-পৰিজনৰ চোৰা-মেলা কৰি আছোঁ। ইয়াতকৈ অধিক আৰু অনুগ্ৰহ কৰি নোসোধক। আৰু—আৰু পুনৰ খোজ ল'বলৈ মোক অনুমতি দিয়ক।" এই বুলি কৈ কবি চন্দ্ৰশেখৰ তাৰপৰা তেতিয়াই গুচি গ'ল।

এই ঘটনাৰ সাত দিনৰ পাছত এখন সুদৃশ্য ঘোঁৰা-বাগী কবি চন্দ্ৰশেখৰৰ ঘৰৰ আগত ৰ'লহি।

ৰজাৰ কটকীয়ে চন্দ্ৰশেখৰক ক'লেহি যে মহাৰাজে কবি চন্দ্ৰশেখৰক ৰাজধানীলৈ লৈ যোৱাৰ বাবে এইখন বাগি পঠাইছে।

আৰু—লগে লগেই চন্দ্ৰশেখৰে বুজি পালে যে সৰোবৰৰ পাৰত বৰগছৰ তলত চিনাকি হোৱা সেই বাটৰুৱাজন আন কোনো নাছিল—আছিল স্বয়ং মহাৰাজ!

ৰাজধানী, তথা ৰাজসভা পাওঁতেই মহাৰাজে চন্দ্ৰশেখৰ কবিক আঁকোৱালি ল'লে, "হে আমাৰ নবীন কবি, আজিৰপৰা প্ৰতিদিন এই ক্ষুদ্ৰ সভাত কবিতা শুনোৱাৰ দায়িত্ব আপোনাত দিয়া হ'ল।"

মহাৰাজৰ এই সাদৰ সন্মানে কবি চন্দ্ৰশেখৰৰ চুচকুৰপৰা লোতক বোৱাই আনিলে। চন্দ্ৰশেখৰে ক'লে, মহাৰাজ, মই মূলত নৰসিংহদেউৰ সভা-কবি। তেৱেঁই মোক আপোনাৰ বাবে যোগ্য কবি তুলিছিল বুলি মই ভাবোঁ। গতিকে —তেওঁৰ অনুমতি লৈ আপোনাৰ ওচৰলৈ অতি শীঘ্ৰেই উভতি আহিম।"

কবি শেখৰৰ কথাত অপাৰ অনন্দিত বিজয়ে ক'লে, "হে কবিবৰ! আমাৰ ঐতিহ্যবাহী সংস্কৃতিৰ এই ধাৰা অক্ষুণ্ণ থাকক—এয়া আমাৰো কাম্য। আপোনাৰ ইচ্ছামতেই কাম হওক।"

ইমানলৈকে কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "প্ৰকৃতপক্ষে—অতি অধিক বিনয় প্ৰকাশৰ কথা যদি বাদ

দিয়া যায়—মহাৰাজ বিজয়েই কবি চন্দ্ৰশেখৰক জীৱন আৰু জীৱিকা দিছিল, জমিদাৰ নৰসিংহই নহয়। গতিকে—চন্দ্ৰশেখৰে নৰসিংহলৈ ইমানকৈ শলাগৰ শৰাই আগ নকৰিলেও ক্ষতি নাছিল। এই ক্ষেত্ৰত কবি চন্দ্ৰশেখৰৰ আচৰণ আৰু উক্তিক সদাচৰণ আৰু সদুক্তি বুলি একোপধ্যেই ক'ব নোৱাৰি। মই কিন্তু নৰসিংহ জমিদাৰলৈ চন্দ্ৰশেখৰৰ উক্তিৰ মাজত কিঞ্চিত দুৰভিসন্ধিহে দেখা পাইছোঁ। এই বিষয়ে, হে ৰজা বিক্ৰম, তোমাৰ মতামত কি—ক'বানে? সত্য উত্তৰ জানিও যদি সঠিককৈ নোকোৱা, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব বুলি নিশ্চয় জানি থোৱা।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই বেতালক ক'লে, "মানৱ-জীৱন—প্ৰকৃতপক্ষে কবিতা নহয়, কঠোৰ বাস্তৱ। কবি চন্দ্ৰশেখৰৰ জীৱনত প্ৰথম জীৱিকা-দাতা তথা অন্নদাতা আছিল সেই জমিদাৰ নৰসিংহদেৱ। নৰসিংহদেৱ যদিও বৰ উচ্চখাপৰ কাব্যৰসিক নাছিল, তথাপি, কবিসকললৈ আৰ্থিক, বা জীৱিকাগত সহায় আগবঢ়োৱাৰ মানসিকতা তেওঁৰ মাজত যথেষ্টয়েই আছিল। গতিকে—এই কথা নিঃসন্দেহে ক'ব পৰা যায় যে—কবি চন্দ্ৰশেখৰে উপযুক্ত সময়ত উপযুক্ত স্থানত উপযুক্ত পাত্ৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছিল আৰু কবি চন্দ্ৰশেখৰৰ অনাবিল মানৱিক কৃতজ্ঞতা প্ৰকাশৰ শলাগ লৈ মহাৰাজ বিজয়েও যথোচিত কৰ্তব্য কৰিছিল। গতিকে—মহাৰাজ আৰু কবি চন্দ্ৰশেখৰ দুয়োগৰাকীয়েই বিবেকবান আছিল বুলি নিৰ্দ্বিধাই ক'ব পাৰি।"

এই কথা কোৱাৰ লগে লগেই বেতালে সেই মৃতদেহটোৰে সৈতে পুনৰ সেই গছলৈ সাউতকৰে গুচি গ'ল। [কল্পিত

[আধাৰ : বৰ্ণালী বৰাৰ ৰচনা]

শিৱাজীৰ দুৰ্গ

ৰচনা: মীৰা উগ্ৰা * চিত্ৰন: অৰিত্ৰ



তোৰ্‌না দুৰ্গ

দক্ষিণ-পশ্চিম ভাৰতত অৱস্থিত দুৰ্গ-সমূহ অবিসম্বাদিত ভাবে মৰাঠা বীৰ শিৱাজীৰ জীৱন আৰু কালৰ লৈতে বিশেষভাবে সংযুক্ত।

শিৱাজীৰ জন্ম হৈছিল শিৱনাৰ নামৰ ঠাইত অৱস্থিত সুপ্ৰাচীন সাতবাহন দুৰ্গত, ১৬৩০ চনৰ ১৯ ফেব্ৰুৱাৰিত।

শিৱাজীয়ে অধিকাৰ কৰা প্ৰথমখন দুৰ্গ আছিল 'তোৰ্‌না'। বিজাপুৰীয়া সৈন্যবাহিনী বাৰিষাকালি এই দুৰ্গ অৰক্ষিত অৱস্থাত এৰি গুচি গৈছিল, তেতিয়া ১৬৪৬ চনত বিনা ৰক্তপাতেৰে শিৱাজীয়ে সুপ্ৰাচীন এই দুৰ্গ অধিকাৰ কৰিছিল। কোৱা হয়, শিৱাজীয়ে এই দুৰ্গত গুপ্ত ভাবে সুৰক্ষিত অপাৰ ঐশ্বৰ্য্য পাইছিল আৰু সেই ৰাজগড়ৰেপৰাই বিছ বছৰ ধৰি দেশ শাসন কৰিছিল। ১৬৪৭ চনত শিৱাজীয়ে 'কোণ্ডানা' দুৰ্গ বিজয় কৰিছিল, কিন্তু পাছত, পুৰন্দৰৰ সন্ধিৰ পাছত সেই কোণ্ডানা দুৰ্গ মোগলসকলৰ হাতত সমৰ্পণ কৰিছিল।

ৰায়গড় দুৰ্গৰ এটি বুৰুজ

কিন্তু কোণ্ডানা পুনৰ অধিকাৰৰ বাবে তেওঁ ১৬৭০ চনত তানাজী মালুছাৰে আৰু তেওঁৰ ভায়েক সূৰ্য্যজীৰ নেতৃত্বত ৬০০ মাওৱালী সৈন্য প্ৰেৰণ কৰিছিল। কোণ্ডানা দুৰ্গৰ সুউচ্চ প্ৰাচীৰ বগাই তাত ৰছী বন্ধাৰ কামত তানাজীয়ে হেনো এক মোনকিৰাক কমত লগাইছিল আৰু তাৰ পাছত সেই ৰছীৰে বগাই উঠি ৩০০ মাওৱালী সৈন্য দুৰ্গৰ ভিতৰলৈ গৈ, তানাজীৰ নেতৃত্বত অনেক ৰক্তপাতৰ মূল্যেৰে এই দুৰ্গ অধিকাৰ কৰিছিল। দুৰ্গ-দখলৰ এই যুদ্ধত এক সহস্ৰতকৈও অধিক যোদ্ধা নিহত হৈছিল, যাৰ মাজত স্বয়ং তানাজীও আছিল অন্যতম। এতিয়া দুৰ্গ-বিজয়ৰ বাতৰি শিৱাজীক দিয়া হৈছিল, তেতিয়া তেওঁ কৈছিল : **গড়হ্ আলা পানসিংহ গেলা** (দুৰ্গ আহিল. কিন্তু আমাৰ সিংহ গ'ল)। পাছত কোণ্ডানা দুৰ্গৰ এক নতুন নামকৰণ কৰা হৈছিল—'সিংহগড়'।

তানাজী মালুছাৰে

কালক্ৰমে তেওঁৰ ৰাজ্যসীমা বিস্তৃত হোৱাত শিৱাজীয়ে শাসনকাৰ্য্যৰ বাবে এক বৃহৎ ৰাজধানীলৈ মন মেলিলে আৰু এইবাবে ৰৈৰি দুৰ্গলৈ দৃষ্টিপাত কৰিলে। ২'৪ কি. মি. দীৰ্ঘ আৰু ১.৬ কি. মি. বিস্তৃত ৰৈৰি দুৰ্গ আছিল ১২ শতিকাত নিৰ্মিত পাহাৰৰ ওপৰত থকা এক সুবিশাল দুৰ্গ। ১৬৭৪ চনৰ ৬ জুনৰ দিনা মহাৰাজ শিৱাজীৰ ৰাজ-অভিষেক কালত এই দুৰ্গৰ নতুনকৈ নামকৰণ কৰা হৈছিল—'ৰায়গড়'।

শিৱাজীৰ ৰাজ্যাভিষেক

এই দুৰ্গৰ বিভিন্ন বিষয় পৰীক্ষাৰ মনেৰে, শিৱাজীয়ে এই দুৰ্গৰ যিকোনো ফালৰ প্ৰচীৰৰ পৰিমাপ কৰাৰ বাবে বুজন পৰিমাণৰ পুৰস্কাৰ ঘোষণা কৰিলে —যদিও প্ৰাচীৰৰ গাত কোনোবিধৰ পৰীক্ষাৰ চিন থাকিব নালাগিব। মহদ গাঁৱৰ যুৱা এজনে এই কামটি সফলতাৰে কৰিছিল। সেই ঠাইডোখৰক 'চোৰ-দৰওৱাজা' বুলি কোৱা হৈছিল। অন্য এক ঘটনাত, হীৰাকণি নামৰ গুৱালনী এজনীয়ে যেতিয়া দুৰ্গত গাখীৰ দিবলৈ আহি সময়মতে ওলাব নোৱৰা হ'ল, তেতিয়া, গধূলি পৰতে দুৰ্গৰ পৰীয়াইতে হীৰাকণিক দুৰ্গৰপৰা ওলাবলৈ অনুমতি দিবলৈ অস্বীকাৰ কৰিলে। কিন্তু ঘৰত ল'ৰা-ছোৱালীহালক প্ৰায় অৰক্ষিত ভাবে এৰি থৈ অহা গুৱালনী হীৰাকণিয়ে যেনে-তেনে ঘৰলৈ যাবৰ মনেৰে দুৰ্গৰ বিশেষ এক ঠাইত থকা গছ এজোপাৰ ডালত ধৰি প্ৰাচীৰৰ বাহিৰ হৈ, সেই পাহাৰৰপৰা নামি ঘৰলৈ গ'লগৈ। হীৰাকণি ওলাই যোৱা ঠাইত শিৱাজীয়ে এটি সুউচ্চ চাকী-ঘৰ সাজিছিল আৰু ঘৰটোৰ নমকৰণ কৰিছিল 'হীৰা বুৰুজ' বুলি। শিৱাজীৰ সমাধি ৰায়গড়ৰ দুৰ্গৰ ভিতৰত অৱস্থিত। জনশ্ৰুতি, শিৱাজীৰ প্ৰিয় কুকুৰ 'ৰঘা'ই তাৰ প্ৰভুৰ চিতালৈ জঁপিয়াই পৰি মৰিছিল।



জঞ্জিৰা দুৰ্গ

কিন্তু শিৱাজীয়ে 'জঞ্জিৰা' দ্বীপ দুৰ্গ অধিকাৰ কৰিব পৰা নাছিল। ১৫১১ চনত মালিক অম্বৰে নিৰ্মাণ কৰা এইখন দুৰ্গ—আনকি পৰ্টুগিজ আৰু বৃটিছেও অধিকাৰ কৰাত ব্যৰ্থ হৈছিল।

জঞ্জিৰা দ্বীপ-দুৰ্গ দেখি শিৱাজীয়েও কিছুমান দ্বীপ-দুৰ্গ সাজিছিল। সাগৰ তীৰত অৱস্থিত মালওৱাস্থিত 'সিন্ধুদুৰ্গ' সিবিলাকৰ অন্যতম। এই দুৰ্গ নিৰ্মাণ কৰোঁতে তিনি বছৰ সময় আৰু এক কৌটি 'হন্' মুদ্ৰাৰ আৱশ্যক হৈছিল। এই দুৰ্গৰ নিৰ্মাণত শিৱাজীয়ে এশমান পৰ্টুগিজ সুদক্ষ কৰ্মী নিযুক্ত কৰিছিল। শিৱাজীয়ে মাৰনাও তথা জাহাজ-নিৰ্মাণৰ কেন্দ্ৰ হিচাপে 'পদমগড়' দুৰ্গ সাজিছিল।

জঞ্জিৰা দুৰ্গৰপৰা কম-বেছি ৫৬ কিল'মিটাৰ দক্ষিণ-পশ্চিমত, শিৱাজীয়ে এক প্ৰাচীন দ্বীপ-দুৰ্গ অধিকাৰ কৰি সংস্কাৰ কৰিছিল। তেওঁ এই দুৰ্গৰ নতুনকৈ নামকৰণ কৰিছিল—'সুৱৰ্ণদুৰ্গ'।

১৬৮০ চনত তেওঁৰ মৃত্যুকাললৈকে শিৱাজী আছিল ২৪০ খন সৰু-বৰ দুৰ্গৰ অধিপতি।

সুৱৰ্ণদুৰ্গ

 © Amrita Bharati, Bharatiya Vidya Bhavan 1995

মৰমৰ বশ

ধৰ্মপাল আছিল ভদ্ৰাৱতী ৰাজ্যৰ যুৱৰাজ। গুৰুকুলত শাস্ত্ৰশিক্ষা সমাপ্ত কৰি যুৱৰাজ ধৰ্মপাল ৰাজধানীলৈ উভতি আহিল; কিন্তু মহাৰাজে আশা কৰা মতে যুৱৰাজ ৰাজকাৰ্য্যলৈ মন-কাণ নিদিয়া হ'ল. যুৱৰাজৰ ৰাজকাৰ্য্যলৈ একেবাৰেই ৰাপ নাছিল. তেওঁৰ ৰাপ অছিল চিকাৰলৈহে।

যুৱৰাজৰ গঢ়-গতিলৈ মন কৰি মহাৰাজ বিজয়েন্দ্ৰ বৰ চিন্তিত-ভাবিত হ'ল। কেনেকৈ যে যুৱৰাজক ৰাজনৈতিক জ্ঞান দিয় যাব, মহাৰাজে ভাবি উলিয়াব নোৱাৰিলে। তেওঁৰ মৃত্যুৰ অন্তত এই ধৰ্মপালেই ৰজা হ'ব কিন্তু ৰাজ্য-শাসন প্ৰজা-পালনৰ এ কো ৱে ই না জা নে ধৰ্মপালে। দৰাচলতে—যুৱৰাজ ধৰ্মপালত যথাযোগ্য ৰাজকীয় গুণেই নাই।

এইবোৰ কথাৰ চাকনৈয়াত পৰি মহাৰাজ বিজয়েন্দ্ৰ অসুস্থ হৈ পৰিল. আৰু এই অসুস্থতায়েই তেওঁৰ কাল হ'ল। এদিন অকালতে তেওঁ সিফালীয়া হ'ল।

বাধ্যত পৰি ধৰ্মপাল ৰজা হ'ল, কিন্তু ৰজা হোৱা সত্বেও ধৰ্মপালৰ স্বভাৱ পৰিৱৰ্তিত নহ'ল। ধৰ্মপালে পূৰ্বৱৎ চিকাৰলৈ ওলোৱা হ'ল. অনাই-বনাই ফুৰা হ'ল, কিন্তু ৰাজ্যশাসনো সুকলমে চলি থাকিল। ৰাজ্য শাসনৰ কাম সুকলমে চলি থকাৰ হেতু আছিল—বুদ্ধিমান অভিজ্ঞ মহামন্ত্ৰীৰ সহায়তা আৰু সেনাধিপতিৰ দেশৰক্ষাৰ প্ৰতি নিষ্ঠা।

এদিন ৰাতি পুউৱাৰ লগে লগেই ধৰ্ম-পাল চিকাৰলৈ ওলাল। কিন্তু সেই দিনা ধৰ্মপালে এটি সামান্য জন্তুও চিকাৰ কৰিব

শংকৰ শইকীয়া

এই কুটীৰত কোন থাকে-কি কৰে—সেই কথা জনাৰ অদমনীয় কৌতূহল হ'ল ধৰ্মপালৰ মনত। ধৰ্মপাল সেই কুটীৰৰ পিনে আগ বাঢ়িল।

যেতিয়া কুটীৰৰ কাষ চাপিল, তেতিয়া তেওঁ সজাত থকা ভাটৌ এটাক এজনী সুন্দৰী যুৱতীয়ে অমিতাৰ সৰু সৰু টুকুৰাবোৰ খুৱাই থকা দেখা পালে। সুন্দৰী যুৱতীয়ে কোনোবা ইয়ালৈ অহালৈ মনেই কৰা নাছিল। কিন্তু ভাটৌটোৱে কৈ উঠিল: 'আহক, আমাৰ আদৰৰ আলহী, আহক'!

তেতিয়া সুন্দৰী যুৱতীয়ে ঘূৰি চালে আৰু ধৰ্মপালক দেখা পাই বিস্মিত যুৱতীয়ে থৰ হৈ দিলে। আৰু বনৰ মাজত এনেহেন অপৰূপ ৰূপৰাশি দেখি ৰজা ধৰ্মপালেও অবাক্ হৈ চালে সেই সুন্দৰী বনজন যুৱতীলৈ।

নোৱাৰিলে। চিকাৰৰ আশাত ঘূৰি ঘূৰি ধৰ্মপাল শ্ৰান্ত-ক্লান্ত আৰু তৃষ্ণাৰ্ত হৈ উঠিল, আৰু খোৱাপানী বিচাৰি ইফালে-সিফালে চাবলৈ ধৰিলে। তেওঁ এঠাইত ডাঠ হাবিৰ মাজতে এটি পুখুৰী দেখা পালে আৰু তালৈ গৈ হেঁপাহ পলুৱাই পানী পি-খালে তাৰ পাছত তেওঁ পুনৰ ঘোঁৰাত উঠি গুচি যাবলৈ ধৰিলে, কিন্তু পুখুৰীটোৰ সিপাৰত এটা দৃশ্য চকুত পৰাত ৰৈ দিলে।

ধৰ্মপালে দেখা পালে—সেই প্ৰকাণ্ড পুখুৰীটোৰ সিপাৰে এটা কুটীৰ আৰু বিধোবিধ ফলে-ফুলে সুশোভিত সুদৃশ্য এখন বাগিচা।—ইয়াতো মানুহ আছে!

যুৱতীয়ে নিজক চম্ভালি লৈ ক'লে, "ৰূপৰীয়াৰ ৰ'দত ঘামি-জামি আহিছে—ঠাণ্ডা পানী আনোগৈ আপোনাৰ কাৰণে।"

এই বুলি কৈ, কুটীৰৰ ভিতৰলৈ যাবলৈ এখোজ দিওঁতেই ধৰ্মপালে যুৱতীক ৰখালে আৰু ক'লে, "মই সৰোবৰৰ পানী হেঁপাহ পলুৱাই পি-খালোঁ, গতিকে পনী এতিয়াই মোক নালাগ। তুমি—ইয়াত

—আৰুনো কোন আছে তোমাৰ ঘৰত? তোমাৰ নাম কি—?"

"মোৰ মাতৃ-পিতৃ কোনো নাই। কিন্তু মোৰ খুড়াদেউ আছে, তেওঁ এজন সুদক্ষ চিকাৰী। মই আৰু মোৰ খুড়াদেউ ইয়াত থাকোঁ। মই বনজ লতা-পাত-শিপাৰে আমাৰ বনজন মানুহৰ বেমাৰ-আজাৰত চিকিৎসা কৰোঁ। মোৰ নাম ইন্দুমতী।"

"মোৰ নাম ধৰ্মপাল। মই এই দেশৰ ৰজা।" ধৰ্মপালে ইন্দুমতীক ক'লে।

কিন্তু—এই কথাত ইন্দুমতী অলপো আচৰিত নোহোৱাত ধৰ্মপালেই আচৰিত মানিলে।

ইন্দুমতীয়ে ধৰ্মপালক ক'লে, "আপোনাক দেখামাত্ৰেই—আপুনি যে ৰজা—সেই কথা বুজি পাইছিলোঁ মই।"

ধৰ্মপালে কিবা ক'ব খুজিছিল, কিন্তু ইন্দুমতীয়েই পুনৰ কৈ উঠিল, "মোক মাফ কৰিব, আমাৰ চৰ্দাৰ বেমাৰত পৰি আছে, মই তেওঁৰ বেজালি কৰি আছোঁ। এতিয়াই তেওঁক এবিধ পাতৰ ৰস খুৱাব লাগিব, গতিকে যাওঁ মই।"

ধৰ্মপালে হাত দাঙি যুৱতীক ৰখালে আৰু ক'লে, "ইন্দুমতী, তোমাৰ সৌন্দৰ্য্যৰ তুলনা নাই, মই মোৰ ক্ষুদ্ৰ জীৱনত কত যে ধুনীয়া ৰাজকুঁৱৰীক দেখিলোঁ—তোমাৰ সুন্দৰতাৰ আগত সকলো তুচ্ছ। তুমি—আৰু এই বনত বনজনহঁতৰ মাজত থাকিব



অবিহনে আপোনাসৱৰ জীৱন উকা উকা যেন লাগে। আমি কাকো প্ৰতাৰণা নকৰোঁ, আমাৰ অনিষ্ট নকৰিলে অনিষ্ট নকৰোঁ, কপটীয়া কাক বোলে—আমি বনজনই নাজানো। এওঁলোকৰ সেৱাত জীৱন উছৰ্গি মই ধন্য মানিছোঁ।"

এই বুলি কৈ, কুটীৰৰ ভিতৰ সোমাবলৈ ধৰোঁতেই ধৰ্মপাল ৰজাই পুনৰ ইন্দুমতীক ৰখালে আৰু কঠিন কণ্ঠেৰে ক'লে, "তোমাৰ এই দুঃসাহস কেনেকৈনো হ'ল —? দেশৰ ৰজাক তিৰস্কাৰ কৰিছা যে— তাৰ ফল কি হ'ব জানিছানে? ব'লা, এতিয়াই মোৰে সৈতে যাব লাগিব।" ধৰ্মপালে ইন্দুমতীৰ হাতত ধৰিলে, আৰু চকুৰ পচাৰতে এপাট কাঁড় ধৰ্মপালৰ বাহুত বিন্ধিলেহি।

কাতৰ আৰ্তনাদ কৰি ধৰ্মপালে বাধ্যত পৰি ইন্দুমতীক এৰি দিলে আৰু কিছু আঁতৰত এজোপা গছৰ তলত ধনুৰ্বাণ হাতত এজন মানুহক থিয় হৈ থকা দেখা পাই ইন্দুমতীলৈ চালে।

ইন্দুমতীয়ে ক'লে, "তেৱেঁই মোৰ খুড়াদেউ।—কিন্তু আপুনি এতিয়া আহত, আপোনাৰ সেৱা-যত্ন কৰাটো মোৰ কৰ্তব্য। নিঃচিন্ত হওক, খুড়াদেউৰে আপোনাক তুনাই আক্ৰমণ নকৰিব।"

নালাগে। মই তোমাক মোৰ ৰাণী কৰিম।"

ইন্দুমতীয়ে ভুৰু কোঁচাই কিছু হেয় দৃষ্টিৰে ধৰ্মপাললৈ চালে আৰু ক'লে, "জন-সেৱা—অতি পবিত্ৰ আৰু আকৰ্ষণীয় কাৰ্য্য, আনকি বনজন-সেৱাও। আনৰ সেবা কৰাতকৈ আৰু অধিক আনন্দ অন্য কাৰ্য্যত আছেনে? কেৱল নিজৰ কাৰণে যি জীয়াই থাকে, সি দৰাচলতে মৃত। আৰু—আপোনাৰ মতে—আমি বনজন জতিৰ মানুহখিনি মানুহ নহয়নে কি? মই জানাত—আপোনালোকতকৈ আমি সহজ জীৱনৰ অধিকাৰী। আমাৰ মাজত দৰ্প-দম্ভ-অহংকাৰ—প্ৰায় নায়েই, যিবোৰৰ

ইন্দুমতীয়ে ৰজা ধৰ্মপালক কুটীৰৰ ভিতৰলৈ লৈ গ'ল আৰু কাঁড়েৰে আহত হোৱা ঠাইত এবিধ ৰস লগাই দিলে।

তিমানতে ইন্দুমতীৰ খুড়াকো আহিছিল। ধৰ্মপালে ইন্দুমতীৰ খুড়াকক ক'লে, "মোৰ—ভুল হ'ল। আৰু কেতিয়াও এনেকুৱা ঘটনা নঘটিব, কথা দিছোঁ।"

ইন্দুমতীৰ খুড়াকে মিঠাকৈ হাঁহিৰেই কৈ দিলে যে হোৱা কথা হৈ গ'ল, তাৰ কাৰণে আৰু বিচলিত হ'ব নালাগে।

তাৰ পাছত এওঁলোকৰপৰা বিদায় লৈ ৰজা ধৰ্মপাল ঘোঁৰাত উঠি গুচি গ'ল।

*

এই ঘটনাৰ ঠিক সাত দিনৰ অন্তত মহামন্ত্ৰী সুবুদ্ধি ইন্দুমতীহঁতৰ কুটীৰলৈ আহিল, আৰু তেওঁ এক মূল্যৱান উপহাৰ ইন্দুমতীলৈ আগবঢ়াই তেতিয়া তাত থিয় হৈ থকা ইন্দুমতীৰ খুড়াকক ক'লে, আমাৰ মহাৰাজে এই সামান্য উপহাৰ আইজনীলৈ পঠালে। তেওঁ আন্তৰিক অনুৰোধজনাইছে সেইদিনাৰ সেই আকস্মিক ঘটনা পাহৰি যাবলৈ। আমাৰ মহাৰাজে জীৱনতো বিবাহ নকৰাব বুলি প্ৰতিজ্ঞা কৰিছে—আৰু এই কথা আমাৰ আইজনীক ক'বলৈহে মোক পঠালে তেওঁ।"

ৰজা ধৰ্মপালৰ সেই প্ৰতিজ্ঞাৰ কথা শুনিয়েই ইন্দুমতীৰ অন্তৰত আঘাত লাগিল আৰু আবেগৰ চোঁৰে উটি উটি ইন্দুমতীয়ে কৈ উঠিল, "খুড়াদেউ, অহা শাওণৰ প্ৰথম দিনা ৰজাক ইয়ালৈ আহিবলৈ কওক, তেওঁ আমাৰ বনজন প্ৰথা মতে বিবাহ কৰাই মোক ইয়াৰপৰা লৈ যাব পাৰিব। মইম তালিৰে বা মদমত্ততাৰে যি কাম নহ'ল. মৰমৰ অনাজৰীৰে যে সেই কাম হ'ল—এই বাৰ্তা —হে শ্ৰদ্ধাৰ মহামন্ত্ৰী ডাঙৰীয়া—মহামান্য ৰজাক এই বাৰ্তা দিয়ে যেন—বনজনকন্যা মৰমৰ বশ হ'ল।"

জীয়াই থকাৰ মন্ত্ৰ

সৌশীল্যদেশৰ ৰজা সৰ্বোত্তমদেৱ কেৱল শাসন-পালনতে দক্ষ নাছিল, তেওঁ আছিল বিভিন্ন গুণেৰে বিভূষিত শিল্পকলাৰ এগৰাকী মহান পৃষ্ঠপোষক।

এদিন মহাৰাজ সৰ্বোত্তমদেৱে মহাৰাণী নিৰ্মলাদেৱীৰ সৈতে উদ্যানত ফুৰি থাকোঁতে ৰাজ-কবি সঞ্জয়সুধাকৰ মহাৰাজে স্থিৰ কৰা আগন্তুক 'সৰ্বকলা-সন্মিলন'ৰ বিষয়ে কথা পাতিবলৈ আহিল। সুধাকৰে মহাৰাজৰ সৈতে কৰি থকা বাৰ্তালাপখিনি শুনি মহাৰাণী নিৰ্মলাদেৱীয়ে মহাৰাজক ক'লে, "এনেকুৱা সন্মিলন পাতি আপুনি যে কিয় প্ৰজাৰ পৰিশ্ৰমৰ ধন নষ্ট কৰিছে—মই নুবুজা হৈছোঁ। জীয়াই থকাৰ বাবে মানুহৰ লাগে খাদ্য, বস্ত্ৰ আৰু গৃহ। কিন্তু শিল্প-কলা খায়নে কাণত পিন্ধে—আপুনিহে জানে। এইবোৰ-এনেবোৰ অলাগতিয়াল সন্মিলন পাতি ৰাইজৰ ধন নষ্ট নকৰাই ভাল হ'ব বুলি মোৰ ধাৰণা। কোনো ৰজাৰ নিজৰ ধন নাথাকে, ৰাইজৰ ধনেৰেই ৰজাই তেওঁৰ প্ৰতাপ প্ৰদৰ্শে। গতিকে শিল্পকলাৰ নামত সমাজৰ ৰঘুমলা-হঁতক আশ্ৰয়-প্ৰশ্ৰয় নিদিয়াই ভাল।"

ৰাণীৰ কথা শুনি ৰাজ-কবি সঞ্জয় সুধাকৰৰ মুখ ক'লা পৰিল, আৰু তেওঁ তৎক্ষণাৎ তাৰপৰা গুচি গ'ল।

মহাৰাজে মহাৰাণীলৈ চালে আৰু ক'লে, "দেৱী, ঈশ্বৰৰ অনুগ্ৰহত আমাৰ প্ৰজাবৰ্গৰ অভাৱ বোলা একো নাই—।" এই বুলি মন্তব্য কৰাৰ অন্তত মহাৰাজে শিল্প-কলা কি, জীৱনত শিল্পকলাৰ আৱশ্যকতা কি—ইত্যাদি কথা মহাৰাণীক

কুসুম কলিতা

কৈ থাকিল। তাৰ পাছত ক'লে, "শাস্ত্ৰতো কোৱা হৈছে, কেৱল আহাৰেৰে মানুহ নাবাঁচে।"

ঠিক তেতিয়াই মহাৰাজৰ বিদূষক খাৰাংমুখ সেই বাটেদিয়েই গৈ আছিল। বিদূষক খাৰাংমুখে মহাৰাজ-মহাৰাণীৰ কথাখিনি শুনি আছিল। মহাৰাজে বিদূষকক হাত-বাউল দি মাতিলে আৰু পাৰে যদি তেওঁৰ আৰু মহাৰাণীৰ বিবাদ তথা বিপদভঞ্জন কৰি দিবলৈ ক'লে।

মহাৰাজৰ কথাত খাৰাংমুখ বিদূষক জানিবা চিন্তাত পৰিল। তাৰ পাছত সি উদ্যানৰ প্ৰবেশপথত পৰ দি বৈ থকা ধৰ্ম্মপুত্ৰ নামৰ পৰীয়াজনৰ ওচৰলৈ গৈ তাক মহাৰাজ-মহাৰাণীৰ মাজত হোৱা কথাৰ সাৰমৰ্ম বুজাই কোৱাৰ অন্তত সুধিলে, "এতিয়া কোৱা মানুহক ঘাইকৈ কি লাগে?

"ঘাইকৈ—" পৰীয়াটোৱে ক'লে, "ঘাইকৈ যে মানুহক খাদ্য লাগে—সেই কথা আৰু ক'ব লাগিছেনে? খাদ্য বিনে জীয়াই থকা অসম্ভৱ।"

"শুনা, কেৱল খাদ্যেৰেই মানুহ জীয়াই থাকিব পাৰেনে?" বিদূষকে সুধিলে।

পৰীয়া ধৰ্ম্মপুত্ৰই ক'লে, "পাৰেতো—! কিয় নোৱাৰিব? খাদ্য মানেই জীৱন, খাদ্য নাপালে—মৰণ।"

খাৰাংমুখে মহাৰাণীক ক'লে, "মহাৰাণী,

মোক পোন্ধৰটি দিন সময় দিয়ক, এই ধম্মপুত্ৰয়েই সকলো কথা দেখদেখকৈ প্ৰমাণ কৰি দিব আৰু তেতিয়া আপোনাৰ মনৰ সন্দেহো গুচিব।"

তাৰ পাছত, মহাৰাজৰ অনুমতি লৈ, খাৰাংমুখে ধম্মপুত্ৰক বন্দী কৰি বগা-ঘৰত ভৰাই থলে।

বগা ঘৰত ভৰাই থোৱা পৰীয়াটোক সময় মতে আৰু যথেষ্ট পৰিমাণে বিধো-বিধ খোৱাবস্তু খাবলৈ দিয়া হৈছিল।

সাত দিনৰ অন্তত পৰীয়া ধম্মপুত্ৰক মহাৰাজৰ ওচৰলৈ লৈ যোৱা হ'ল। খাৰাংমুখে মহাৰাজ-মহাৰাণীৰ আগত সুধিলে তাক, "কোৱা, যোৱা সাত দিন খাই-বৈ শুই-বহি কেনে পালা?"

"বাপৰে বাপ্—!" পৰীয়াটোৱে কৈ উঠিল, "আ ধা পে টী য়া কৈ, আনকি নোখোৱাকৈ থাকিবলৈকো সাজু, তথাপি এনেকৈ থাকিব নোৱাৰোঁ। মোক দয়া কৰি এৰি দিয়ক, নহ'লে মই কিজানি আত্মঘাতীহে হ'ম "

আৰু মহাৰাজে চালে মহাৰাণীলৈ।

তেতিয়া খাৰাংমুখে মহাৰাণীক ক'লে, "নিজ কাণেৰে শুনিলেই আইচুদেউ, ভাল ভাল খাদ্য খায়ো এই পৰীয়াই আত্মঘাতী হোৱাৰ কথা চিন্তিছিল। গতিকে—কেৱল খাদ্যেৰে, বা বস্ত্ৰেৰে বা গৃহেৰেই মানুহ নাবাঁচে, মানুহক খাদ্য বাদেও—তাৰ বিভিন্ন ইন্দ্ৰিয়ক তৃপ্তি কৰিবলৈ সাহিত্য-কাব্য-সংগীত-নৃত্য-চিত্ৰ আদিও লাগে। গতিকে — প্ৰকৃততেই — মানুহ কেৱল খাদ্যেৰেই জীয়াই নাথাকে যে—এইটো এক প্ৰমাণিত সত্য। জীয়াই থকাৰ কোনো আচুতীয়া মন্ত্ৰ নাই।"

মহাৰাণীয়ে তেওঁৰ বহুমূল্য কণ্ঠহাৰ বিদূষকক দিলে, আৰু বিনা দোষত সাত-দিনলৈ দণ্ড ভোগা প্ৰহৰী বেচাৰাকো মহাৰাজে যথাযোগ্যভাৱে পুৰস্কৃত কৰিলে।

মহাভাৰত

১৪

দ্ৰৌপদীৰ স্বয়ম্বৰ সভালৈ অনেক দেশৰ-পৰা অনেক ৰজা-ৰজাৰ কোঁৱৰ আহিল কাম্পিল্য নগৰলৈ। তেওঁলোকৰ থকা-মেলাৰ বাবে ৰাজধানীৰ শ্ৰেষ্ঠতম আবাস প্ৰদত্ত হ'ল। পাণ্ডৱসকলো কাম্পিল্যলৈ আহিল আৰু ব্ৰাহ্মণবেশী পাণ্ডৱসকল এজন কুম্ভকাৰৰ গৃহত আশ্ৰয় ল'লে।

'দ্ৰৌপদীক অৰ্জুনেই বিবাহ কৰিলেহে ভাল'—মনৰ এই ইচ্ছা ৰজা দ্ৰুপদে মুখেৰে প্ৰকাশ নকৰিলে, কিন্তু অৰ্জুনৰ কথা তেওঁ বিস্মৃতও হ'ব নোৱাৰিলে।

যি কি নহওক—স্বয়ম্বৰৰ আয়োজনৰ বাবে দ্ৰুপদে কোনো ত্ৰুটি কৰা নাছিল। তেওঁ বিৰাট আকাৰৰ এক ধনু নিৰ্মাণ কৰাইছিল, যি ধনু সাধাৰণ মানুহৰ পক্ষে আনকি দঙাটোও আছিল তেনেই কঠিন। এই ধনুৰে বাণ নিক্ষেপ কৰি শূন্যত চক্ৰৱৎ পাক খাই থকা মৎস্যচক্ষু বিন্ধাব লাগিব আৰু সেই মৎস্য তললৈ পেলাব লাগিব, তেতিয়াহে দ্ৰৌপদীয়ে বৰমাল্য দিব।

এই স্বয়ম্বৰত অংশগ্ৰহণৰ বাবে কৰ্ণ আৰু কৌৰৱ-পুত্ৰসকলো আহিছিল। অসংখ্য ৰাজকোঁৱৰ, ব্ৰাহ্মণ, ঋষিও আহিছিল। ৰজা দ্ৰুপদে সকলোটিলৈ সাদৰ অভ্যৰ্থনা জ্ঞাপন কৰিছিল, অভ্যাগত সকলৰ আনন্দবৰ্দ্ধনৰ বাবে চিত্তাকৰ্ষক নৃত্য-গীতৰ আয়োজন কৰিছিল।

মংগল-স্নান সমাপন কৰি সালংকাৰা

দ্ৰৌপদীয়ে স্বৰ্ণপুষ্পৰ মালা হাতত লৈ স্বয়ম্বৰ-মণ্ডপলৈ আহিল। দ্ৰুপদৰ পুৰোহিত সোমকে আগৰেপৰাই অগ্নি-কুণ্ডৰ বন্দৱস্ত কৰি থৈছিল। তেওঁ দ্ৰৌপদীলৈ স্বাগত-সম্ভাষণ জ্ঞাপন কৰিলে আৰু লগে লগে মংগলবাদ্য বাজি উঠিল।

এনেতে ধৃষ্টদ্যুম্ন তালৈ আহিল আৰু সকলোটিলৈ চাই ক'লে, "যিজনে এই ধনু দাঙি পঞ্চবাণেৰে মৎস্য-চক্ৰৰপৰা মৎস্য তললৈ পতিত কৰিব পাৰিব, মোৰ ভনীয়েৰাই তেওঁকে বৰমাল্য পিন্ধাব। আপোনালোকৰ মাজত ধনুৰ্বিদ্যাত দক্ষসকলে বীৰোচিত প্ৰযত্ন কৰক।"

এইখিনি কথা কোৱাৰ অন্তত ধৃষ্টদ্যুম্নই তাত উপস্থিত দ্ৰৌপদীৰ পাণি-প্ৰাৰ্থীসকলৰ সৈতে দ্ৰৌপদীক চিনাকি কৰালে। তাত উপস্থিত থকা সকলৰ মাজত দুৰ্যোধন, শল্য, বিৰাট, শকুনি, অশ্বত্থমা, অক্ৰুৰ, সম্বা, প্ৰদ্যুম্ন, কৃষ্ণ, কৃতবৰ্মা, অনিৰুদ্ধ, সুশৰ্মা, শিশুপাল, চিত্ৰাংগদ, ভগদত্ত, পৌণ্ড্ৰক, বাসুদেৱ প্ৰমুখও আছিল।

কৃষ্ণই তাত থকা এদল ব্ৰাহ্মণৰ মাজত অৰ্জুনকো দেখা পাই পৰিতুষ্ট হ'ল আৰু কথাটো তেওঁ বলৰামক ক'লে।

আৰু তাৰ পাছত আৰম্ভ হ'ল মৎস্য-চক্ৰৰ মৎস্যচক্ষু বিদ্ধকৰণৰ অনুষ্ঠান।

একে একে ৰাজকোঁৱৰসকল আগুৱাই আহিবলৈ ধৰিলে, কিন্তু সেই গধুৰতো গধুৰ ধনু দাঙি ধৰি মৎস্যচক্ৰলৈ বাণ-নিক্ষেপ সেই ৰাজকোঁৱৰ-সকলৰদ্বাৰা নহ'ল। তেওঁলোকে আনকি সেই ধনু দাঙিবই নোৱাৰিলে আৰু এই কথাত অপমান পাই ওভোতা খোজ ল'লে।

এইদৰে বহু সংখ্যক ৰজা-ৰাজকোঁৱৰৰ ব্যৰ্থতাৰ পাছত কৰ্ণ আগ বাঢ়িল। তেওঁ হেলাৰঙেই সেই বিৰাটাকাৰ ধনু দাঙি বাণ সংযুক্ত কৰিবলৈ ধৰাত তাত সমৱেত দৰ্শকসকলে এই কথাত স্থিৰ-নিশ্চিত হ'ল



নাবাঢ়িল। দৰ্শকৰ মাজত গুঞ্জন উঠিল। ধৃষ্টদ্যুম্নই গহীন মাতেৰে ক'লে, "ইয়াত সমৱেত ইমান ৰজা-ৰাজকোঁৱৰৰ মাজত কোনো এগৰাকীয়েও এই কাৰ্য্যত সফল নোহোৱাটো বাস্তৱিকতে বিস্ময়-জনক। এই কথা লাজৰ কথা।"

আৰু ঠিক তেতিয়াই ব্ৰাহ্মণসকলৰ মাজত উপৱিষ্ট অৰ্জুন আগ বাঢ়ি আহিল। তেতিয়া তাত থকা ব্ৰাহ্মণসকলৰ মাজত গুঞ্জন উঠিল: যি-কাৰ্য্য মহাপৰাক্ৰমী শল্য, জৰাসন্ধ, শিশুপাল প্ৰমুখ ৰজায়ো কৰিব নোৱাৰিলে, নগণ্য ব্ৰাহ্মণ এজনে সেই অসম্ভৱ কাৰ্য্য সাধিবনে? এওঁ দেখিছোঁ ব্ৰাহ্মণবংশৰ অপমানহে কৰিব।"

ব্ৰাহ্মণবেশী অৰ্জুনে সেই বিশালাকাৰ ধনুৰ কাষ চাপিল, তাত দণ্ডায়মান হৈ সকলোলৈকে নমস্কাৰ জ্ঞাপন কৰিলে, আৰু তাৰ পাছত সেই বিৰাট ধনু মুহূৰ্ততে দাঙি লৈ বাণেৰে মৎস্যচক্ষু ভেদ কৰি মৎস্য তললৈ পেলাই দিলে।

সেই সমগ্ৰ স্বয়ম্বৰ সভা কেইমুহূৰ্ত-মানৰ বাবে কাঁহ পৰি জিন গ'ল।

আৰু তাৰ পাছত সাগৰ-কল্লোলৰ দৰে হৰ্ষধ্বনি উঠিল—যি-হৰ্ষধ্বনিয়ে কিজানি আকাশ স্পৰ্শিলেগৈ। বিশেষকৈ ব্ৰাহ্মণ-সকলৰ আনন্দৰ পাৰ-কূল নোহোৱা হ'ল।

যে মহাবীৰ কৰ্ণয়েই অৱশেষত ভুৱন-মোহিনী ৰূপৰ অধিকাৰিণী অপৰূপা দ্ৰৌপদীক লাভ কৰিব।

কিন্তু অকস্মাৎ যেনিবা বজ্ৰপাত হ'ল। কৰ্ণই বাণেৰে সেই মৎস্যচক্ৰৰ মৎস্যচক্ষু বিদ্ধ কৰিবলৈ লওঁতেই দ্ৰৌপদীয়ে কৈ উঠিল: "মই কোনো সূতপুত্ৰক পতিৰূপে বৰিব নোৱাৰিম।"

কৰ্ণ ক্ৰুদ্ধ হৈ উঠিল। তেওঁ ধনুৰ্বাণ দলিয়াই পেলাই সূৰ্য্যলৈ দৃষ্টিপাত কৰি পুনৰ নিজ আসন গ্ৰহণ কৰিল।

তাৰ পাছত আৰু কোনো ৰজা-ৰাজকোঁৱৰৰ এই অসম্ভৱ কাৰ্য্যলৈ আগ

কিন্তু পাছ মুহূৰ্ততে—নিজে নিজেই অপমানিত বোধ কৰা ৰজা-ৰাজকোঁৱৰসকলে ব্ৰাহ্মণৰূপী অৰ্জুনৰ প্ৰতি বাণবৃষ্টি কৰিবলৈ ধৰিলে। ভীত-সন্ত্ৰস্ত দ্ৰুপদে ব্ৰাহ্মণসকলৰ মাজতে লুকালেগৈ। ভীম আৰু অৰ্জুনে ৰজা আৰু ৰাজকোঁৱৰসকলৰ এই অন্যায় আক্ৰমণৰ প্ৰতিৰোধ কৰিলে। ভীমে এজোপা বিৰাট বৃক্ষ উৎপাৰি আনি তাৰে বৃষ্টিধাৰাৰ দৰে বৰষা বাণ প্ৰতিহত কৰি থাকিল। অৰ্জুন কাষতেই দণ্ডায়মান আছিল। ব্ৰাহ্মণসকলে ৰজা দ্ৰুপদক ৰক্ষা কৰিবলৈ ৰজা-ৰাজকোঁৱৰহঁতলৈ শিলগুটি দলিয়াবলৈ ধৰোঁতেই অৰ্জুনে ব্ৰাহ্মণসকলক এনে কাৰ্য্য নকৰিবলৈ ক'লে আৰু যি-ধনুৰে মৎস্যচক্ষু বিদ্ধ তথা মৎস্য তললৈ পেলাইছিল, সেই ধনু পুনৰ দাঙি লৈ ৰজা-ৰাজকোঁৱৰহঁতলৈ বাণ নিক্ষেপ কৰি থাকিল। শল্য আৰু কৰ্ণ এই কথাত নিশ্চিত হ'ল যে এই ব্ৰাহ্মণযুৱাক বধিলে কোনো পাপ ন'হব।

অৰ্জুন আৰু কৰ্ণই সমুখা-সমুখি হৈ যুদ্ধ কৰি থাকিল। ব্ৰাহ্মণৰূপী অৰ্জুনৰ প্ৰতাপ প্ৰত্যক্ষ কৰি কৰ্ণ স্তম্ভিত হ'ল আৰু ক'লে, "হেৰা ব্ৰাহ্মণ! তোমাৰ অস্ত্ৰ-কৌশলে প্ৰকৃততেই মোক মুগ্ধ কৰিছে। কোৱাচোন তুমি—কোন?"

অৰ্জুনে সূতপুত্ৰ কৰ্ণৰ এই কথাৰ কোনো উত্তৰ নিদিলে।

কৰ্ণ আৰু শল্যই ভাবিলে যে প্ৰতাপেৰে যুদ্ধ কৰি থকা এই দুই ব্ৰাহ্মণ কোনো সাধাৰণ ব্ৰাহ্মণ নহয়। কিন্তু এওঁলোকৰ প্ৰকৃত পৰিচয় নুলিউৰালৈকে তেওঁলোকৰ মন শান্ত নহ'ব। এনে অৱস্থাত—কৃষ্ণই ৰজা-ৰাজকোঁৱৰসকলক সম্বোধি ক'লে, "এই ব্ৰাহ্মণযুৱাই ন্যায়-ধৰ্মৰ বাটেৰেই দ্ৰৌপদীক লাভ কৰিছে। ৰাজন্যবৰ্গৰ সৈতে তথা ৰাজকোঁৱৰসকলৰ সৈতে ধৰ্মযুদ্ধও কৰিলে। গতিকে—এতিয়া আপোনালোক ক্ষান্ত হোৱাটোহে ভাল।"



কৃষ্ণৰ সদযুক্তিয়ে গুণ দিলে। একে একে সকলো তাৰপৰা আঁতৰিল।

ইপিনে সেই কুম্ভকাৰৰ গৃহত কুন্তীদেৱী অকলশৰে পুত্ৰসৱৰ বাট চাই বহি আছিল। দুৰ্য্যোধনে কেনেবাকৈ কিবা গম পাই পুত্ৰসৱৰ কিবা ধৰণৰ অনিষ্ট কৰিলেনে কি—সেই চিন্তাত তেওঁ যেতিয়া অস্থিৰ হৈ উঠিছিল—ঠিক তেতিয়াই গৃহৰ দুৱাৰৰ বাহিৰৰপৰা দ্ৰৌপদীকে লগত লৈ অহা ভীম আৰু অৰ্জুনে ক'লে, “মা, আমি আজি কি ভিক্ষা লৈ আহিছোঁ, ওলাই আহি চোৱাহি।”

“যি আনিলা—পাঁচোজনে ভগাই লোৱা।” এই বুলি কৈ, গৃহৰ ভিতৰৰপৰা বহিৰলৈ ওলাই আহি অপৰূপ সৌন্দৰ্য-মণ্ডিতা দ্ৰৌপদীক দেখা পাই স্তম্ভিত-হতচকিত কুন্তীদেৱী যেনিবা শিলহেন হৈ পৰিল।

তাৰ পাছত, কুন্তীদেৱীয়ে ধৰ্মৰাজক ক'লে, “পুত্ৰ, মই এক বিৰাট ত্ৰুটি কৰি পেলালোঁ। ভীমাৰ্জুনে ভিক্ষা লৈ অহাৰ কথা কোৱাত মই ‘পাঁচোজনে ভগাই লোৱা’ বুলি কৈছিলোঁ। মই যে কদাপি অসত্য নকওঁ, জানাই। ইপিনে—দ্ৰৌপদীক তোমালোকে—পাঁচোজনেই যদি ভগাই লোৱা—সেয়া অধৰ্ম হ'ব। আনহাতে — মোৰ কথা যদি মানি নোলোৱা, মোক অসত্যৰূপী পাপে স্পৰ্শ কৰিব।—এতিয়া তুমিয়েই নিৰ্ণয় কৰা, ধৰ্মৰক্ষা কেনেকৈ কৰিব পাৰি।”

ধৰ্মৰাজ চিন্তিত হ'ল। তাৰ পাছত কুন্তদেৱীক শান্তি-সান্ত্বনা দিয়াৰ মনেৰে ধৰ্মৰাজে অৰ্জুনক ক'লে, “অৰ্জুন, তুমি অগ্নিসাক্ষী কৰি এই কন্যাক বিবাহ কৰাঁ।”

অৰ্জুনে ক'লে, “কেনেকৈনো সম্ভৱ হ'ব? আপুনি আৰু ভীম হ'ল জ্যেষ্ঠ। আপুনি, বা আপোনালোক অবিবাহিত থাকিব, আৰু মই বিবাহ কৰিম? এয়া অতি নিকৃষ্ট ধৰণৰ অনাচাৰ নহ'বনে?”

ধৰ্মৰাজে কিছুপৰলৈ অতি নিবিষ্টভাবে চিন্তা কৰিলে, আৰু তাৰ পাছত অভিমত ব্যক্ত কৰিলে, "ঠিক আছে, তেনেহ'লে আমি সকলোটিয়েই এই কন্যাটিক বিবাহ কৰিম। এওঁ হ'ব—আমাৰ উমৈহতীয়া পত্নী।"

এই ঘটনাৰ মাজতেই ধৃষ্টদ্যুম্নই এটি কাম কৰিছিল। দ্ৰৌপদীক লাভ কৰা এই ব্ৰহ্মণযুৱা কোন—সেই পৰিচয় তেতিয়ালৈকো কোনেও নাজানিছিল। এই ব্ৰাহ্মণযুৱাৰ নিবাস ক'ত তাকো নাজানিছিল। গতিকে—দ্ৰৌপদীক যে এই ব্ৰাহ্মণযুৱাই ক'লৈ লৈ যাব; সেই কথাও আছিল অজ্ঞাত। গতিকে—ধৃষ্টদ্যুম্নই ভীমার্জুনে নেদেখাকৈ তেওঁলোকৰপৰা বহুখিনি আঁতৰ হৈ থাকি, তেওঁলোকৰ পিছে পিছে গৈ গৈ সেই কুম্ভকাৰ-গৃহ পাইছিলগৈ আৰু আঁৰত থাকি ছদ্মবেশী পাণ্ডৱসকলৰ কথা-বাৰ্তাৰ ভালেখিনিমান শুনিছিলগৈ।

আৰু তাৰ পাছত ধৃষ্টদ্যুম্নই পিতাক দ্ৰুপদক সকলো কথা ক'লেগৈ। ধৃষ্টদ্যুম্নই ক'লে যে—সেই ব্ৰহ্মণযুৱা ব্ৰহ্মণ নহয়, ক্ষত্ৰিয়। তাত কেৱল সেই ব্ৰাহ্মণৰা আৰু তেওঁৰ ভাই ৰা ককাই নহয়—আৰু তিনিজন ভাই-ককাই আছে, আছে এওঁলোকৰ মাতৃ। তেওঁলোকৰ বিভিন্ন কথা-বাৰ্তাৰপৰা এই কথা ওলাই পৰিছে যে এওঁলোক ব্ৰাহ্মণ নহয়। এওঁলোক ক্ষত্ৰিয়—এই সম্ভাৱনায়েই প্ৰবল। মোৰ দৃঢ় অনুমান: এওঁলোকেই হ'ল সেই পঞ্চপাণ্ডৱ আৰু এওঁলোকৰ মাতৃ হ'ল কুন্তীদেৱী। পাণ্ডৱো পাঁচজন, এওঁলোকো পাঁচজনেই।"

শুনি ৰজা দ্ৰুপদ আনন্দত আত্মহাৰা হ'ল। এই অভূতপূৰ্ব ঘটনাৱলীৰ পূৰ্ণ বিবৰণ প্ৰাপ্তিৰ আশাৰে তেওঁ তেওঁৰ পুৰোহিতক তৎক্ষণাৎ সেই কুম্ভকাৰ-গৃহলৈ প্ৰেৰণ কৰিলে। [আগলৈ

ধেঁৱা-খোৱা ধেঁৱা-কোঁৱা

ৰাজপুৰৰ কনক মহন্ত আছিল সুতৰ মহাজন। কনকে সুতৰো উপৰি সুত লৈছিল, আৰু এই উপায়েৰে ধনেদি মঠ বান্ধিছিল। ৰাইজে কনকক কিৰ্পিণ সুতখোৰ চিকটাৰো চিকটা তাৰ মুখ হওক বেকেটা—আদি কত কি যে কয়, পিছে কনকে এইবোৰ শুনিও নুশুনা হয়। কনকে কয়: যাৰ নাই ফুটা কড়ি, তাৰহে কথাৰ ফুলজাৰি। যাৰ ধন আছে, তেওঁ যদি অলপ কিপিণালি কৰেও, গজৰনো কি? ধনিকৰ কিৰ্পিণালিক বেয়া বুলি ক'ব নোৱাৰি। আৰু—সুত? সুত লৈ ধাৰ দিয়াই ধাৰ লওঁতাৰ উপকাৰহে সাধে, সমাজৰ বন্ধুৰ কামহে কৰে।

এদিন কনক খেতি-পথাৰৰপৰা ওভতোঁতে মুচিয়াৰৰ ওচৰলৈ গ'ল। মুচিয়াৰ নেৰাইণে এযোৰ চটিজোতালৈ আঙুলিয়াই কনকক ক'লে, "লৈ য'ক ডাঙৰীয়া, এইযোৰ চহৰত পঞ্চাছ টকাৰেও নাপায়, মই বিছ টকাৰে দি দিম। লয় যদি ল'ক—।"

কনকে টান মাতেৰে নেৰাইণক ক'লে, "মই জোতা কিনিবলৈ অহা নাই নহয়—? মোৰ বন্ধু এজনে মোক বিড়ি এডাল দিলে, জুইশলা নাছিল তেওঁৰ, তুমি বিড়ি হুপিছা দেখি জুইশলা বিচাৰি আহিলোঁ।" যাৰ বিড়িও নাই জুইশলাও নাই সি কিয় ধেঁাৱা-খোৱা কৰিব—বুজি নাপাই নেৰাইণৰ ধেঁাৱা-কোঁৱা লাগিল।

আজাৰ

বোকামাটিত নৈপৰীয়া জেকা মাটিত পৰিলক্ষিত হোৱা এই বৃক্ষত অতি মনোহৰ বেঙুনীয়া তথা গুলপীয়া-বেঙুনীয়া বৰণৰ ফুল ফুলে। এই ফুল 'ৰাণী ফুল' বুলি বহু ঠাইত জানাজাত। মূলতঃ এই ফুলগছ সুয়েডেনীয়। সুয়েডেনৰ বৃক্ষ বিশেষত ম্যাগনুজ বি. ছাজৰে স্ট্ৰামে এই ফুলক 'প্লাছ ৰেজিনি' (ৰাণী পুষ্প) বুলি অভিহিত কৰিছে, এই ফুল দুৰন্ত আকৰ্ষণীয় ফুল। যেতিয়া ফুলে, তেতিয়া এই ফুলৰ বৰণ কোমল গুলপীয়া-বেঙুনীয়া, যেতিয়া সৰে তেতিয়া বগা। খৰালি পাত সৰি টকলা হয়, বাৰিষা গছ ভৰি সুন্দৰ ফুল ফুলে। এই গছৰ ফুল হয় থোপা-থোপা। বছৰেকত এপ্ৰিল-মে' আৰু জুলাই-অগাস্টত এই ফুল ফুলে। এই গছৰ পাতৰ ওপৰভাগ ডাঠ সেউজীয়া। এপ্ৰিল-মে'-ত নতুন পাত গজে। এই গছৰ ফল সেউজীয়া, পকিলে ক'লা বৰণ লয়। ফলবোৰ টান আৰু সহজে নসৰা।

কোৱা হয় যে চেগুন বৃক্ষৰ তুল্য এই বৃক্ষৰ কাঠও টান আৰু বহুত দিন যায়। জাহাজ আৰু অন্যান্য মজপুত যান বাহন নিৰ্মাণত, বিশেষকৈ নাও-নিৰ্মাণত এই কাঠৰ ব্যৱহাৰ অধিক। আজাৰ বৃক্ষৰ কাঠ দেশ-বিদেশতো আদৰণীয়। আমাৰ দেশত এই কাঠ অধিক পৰিমাণে পৰিদৃষ্ট হয়।

এই বৃক্ষক হিন্দীত 'জাৰুল' বাংলাত 'আজাৰ' মৰাঠিত 'তমান', ওড়িয়াত 'পটোলি' তামিলত 'কডলি' মালয়ালমত 'আৰমস্পু', কন্নড়ত 'চল্লা', তেলুগুত 'ৰৰগোহযু' আৰু অসমীয়াত 'আজাৰ' বুলি কয়। এই বৃক্ষৰ উদ্ভিদবিজ্ঞানীয় নাম হ'ল **Lagerstroemia Reginac.**

মাৰ্কণ্ডেয়

মৃকণ্ড মুনি হিমালয়নিবাসী আছিল। বহু কাল ধৰি তেওঁ কোনো সন্তান লাভ কৰা নাছিল। পুত্ৰপ্ৰাপ্তিৰ বাবে তেওঁ শিৱপূজা কৰি থাকিল। ধ্যানমগ্ন অৱস্থাত দেৱাদিদেৱ শিৱে মৃকণ্ড মুনিক প্ৰত্যক্ষভাবে দেখা দিলে আৰু মৃকণ্ড মুনিক সুধিলে, "কোৱাঁ, ষোড়শ বৰ্ষলৈ জীৱিত থকা বিবেকবান পুত্ৰ লাগে, নে চিৰঞ্জীৱি অবিবেকী পুত্ৰ লাগে?"

ক্ষন্তেকমানলৈ ভাবি মৃকণ্ডমুনিয়ে বিবেকবান পুত্ৰলৈ প্ৰাৰ্থনা কৰিলে।

মুনিয়ে তেওঁৰ ইচ্ছানুযায়ী পুত্ৰ লভিলে। এই পুত্ৰৰ নাম হ'ল মাৰ্কণ্ডেয়।

আৰু মাৰ্কণ্ডেয় যেতিয়া দশমবৰ্ষীয়, তেতিয়াৰেপৰাই দূৰ-দূৰণিপৰা জিজ্ঞাসু-বিদ্যাৰ্থীসকল মাৰ্কণ্ডেয়ৰপৰা উপদেশ তথা জ্ঞানলাভ কৰিবলৈ আহিছিল মাৰ্কণ্ডেয়ৰ দ্বাদশ বৰ্ষৰ বয়ঃক্ৰমত তেওঁক এগৰাকী নিষ্ঠাৱান সদগুৰুৰূপে বিবেচনা কৰা হৈছিল।

কিন্তু দিন যায় ৰাত্ৰি অৱসিত হয়, আৰু মাৰ্কণ্ডেয়ৰ পিতৃ-মাতৃ হয় বিষণ্ণ। তথাপি তেওঁলোকৰ এই বিষণ্ণতাৰ হেতু তেওঁলোকে পুত্ৰ মাৰ্কণ্ডেয়ক কদাপি কোৱা নাছিল।

এইদৰে, মাৰ্কণ্ডেয় যেতিয়া ষোড়শ বৰ্ষীয় হ'ল, তেতিয়া তেওঁৰ পিতৃ-মাতৃয়ে দিনে-নিশাই চকুলোৰ ধাৰ বোৱাবলৈ ধৰিলে। এই বিষয়ে একো নজনা-নুবুজা বিস্মিত মাৰ্কণ্ডেয়ই এই পৰিস্থিতিৰ কাৰণ কি—বুলি সোধাত অৱশেষত মুনি মৃকণ্ডই সকলো কথা পুত্ৰ মাৰ্কণ্ডেয়ক ক'লে। মাৰ্কণ্ডেয়ই উপলব্ধি কৰিলে যে তেওঁৰ পিতৃ-মাতৃয়ে গ্ৰহণ কৰে, মাৰ্কণ্ডেয়ই জীৱনকাল ঘূৰাই পাব পাৰে।

মাৰ্কণ্ডেয়ই তেওঁৰ সন্তপ্ত পিতৃ-মাতৃক সান্ত্বনা প্ৰদান কৰি, বুজাই-বৰাই, নিৰ্জন ঠাইলৈ গ'ল, আৰু তাত একান্ত-অখণ্ড মনযোগেৰে সৈতে দেৱাদিদেৱ শিৱলৈ তপস্যা কৰি থাকিল।

মাৰ্কণ্ডেয়ৰ আয়ুস যেতিয়া শেষ হ'ল, তেতিয়া তেওঁক লৈ যাবলৈ যমদূত আহিল। কিন্তু মাৰ্কণ্ডেয়ৰ চতুৰ্দিশত জ্যোতি-বলয় দেখা পাই যমদূত উভতি গ'ল। আৰু তাৰ পাছ মুহূৰ্ততে স্বয়ং যমদূত আভিৰ্ভূত হৈ মাৰ্কণ্ডেয়লৈ মৃত্যুবাণ নিক্ষেপ কৰিলে। কিন্তু এই মৃত্যুবাণ শিৱ-লিংগত ঠেক খাই ভূলুণ্ঠিত হ'ল আৰু তেতিয়া স্বয়ং শিৱ সেই ঠাইত মুহূৰ্ততেই আৱিৰ্ভূত হ'ল। শিৱৰ ক্ৰোধিত নেত্ৰাগ্নিৰে যমৰাজ ভস্মীভূত হ'ল। এই কাৰণত শিৱৰ অন্য নাম মৃত্যুঞ্জয়।

শিৱ যেতিয়া শান্ত হ'ল, তেতিয়া যমৰাজক পুনৰ্জীৱিত কৰিলে। কিন্তু তিমানতে মাৰ্কণ্ডেয়ৰ মৃত্যুৰ কাল অতিক্ৰান্ত হৈছিল। শিৱই মাৰ্কণ্ডেয়ক এই বৰ প্ৰদান কৰিলে যে—মাৰ্কণ্ডেয় সদায়েই ষোড়শবৰ্ষীয় হৈ অনন্তকাললৈ জীয়াই থাকিব।

এই পৌৰাণিক-কাহিনীৰ কিঞ্চিত গূঢ়াৰ্থ আছে। মাৰ্কণ্ডেয়ই আপোন ব্যক্তি-সত্বা ত্যাজি ঈশ্বৰত লীন হৈ গ'ল আৰু শাশ্বত জীৱন লভিলে। এই কাৰণে মাৰ্কণ্ডেয় সদা-সজীৱ হৈ থাকিল আৰু তেওঁ সদায় ষোড়শবৰ্ষীয় হৈ থাকিল। মাৰ্কণ্ডেয়ৰ ভূত-ভৱিষৎ-বৰ্তমান বোলে একোৱেই নাই, তেওঁ হ'ল অনন্তকালীয়। এই অনুভূতি হ'ল এক মহত্তোমহান আধ্যাত্মিক অনুভূতি।



জানিবলগীয়া

১. বুদ্ধই কোন ঠাইত পোন প্ৰথমে তেওঁৰ ধৰ্ম প্ৰচাৰ কৰিছিল ?
২. ১৯৩৮ চনত হিটলাৰে এখন দেশ অধিকাৰ কৰি ১৯৪১ চনত পুনৰ ওভোতাই দিছিল। দেশখনৰ নাম কি ?
৩. ভূমিত বিচৰণ কৰিব পৰা জন্তুৰ মাজত আটাইতকৈ ডাঙৰ জন্তু ?
৪. 'ঘানা'ৰ পুৰণি নাম কি আছিল ?
৫. 'কলিকতা' মহানগৰৰ প্ৰতিষ্ঠাতা কোন ?
৬. হাতীৰ আয়ুষ্কাল সাধাৰণতঃ কিমান ?
৭ মিছৰদেশত বহুল ব্যৱহৃত ভাষা কি ?
৮. আবিছিনিয়াৰ বৰ্তমান নাম ?
৯. 'কবিৰো কবি' নামৰ ইংৰাজ কবি কোন ?
১০. ইতালিদেশৰ মুদ্ৰাৰ নাম ?
১১. ভাৰতীয় পুৰাণোক্ত 'ঐৰাৱত' হস্তীৰ গৰাকী কোন আছিল ?
১২. প্ৰথম মহাকাশ-বিচৰণকাৰী কোন ?
১৩. ভূমিত বিচৰণকাৰী আটাইতকৈ ওখ জন্তু কি ?
১৪. পাৰ্ছিসকলৰ পবিত্ৰ ধৰ্মগ্ৰন্থৰ নাম কি ?
১৫. 'এঞ্জেল ফল্‌ছ্' নামৰ নিজৰা কোন দেশত আছে ?
১৬. নাপলেয়ঁ বনাপাৰ্তক 'ওৱাটাৰ্লু' যুদ্ধক্ষেত্ৰত কোনে পৰাজিত কৰিছিল ?
১৭. পাকিস্তানৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি কোন আছিল ?
১৮' কেনাডাৰ দীৰ্ঘতম নৈৰ নাম কি ?

জানক

১. কাশীৰ সমীপস্থ সাৰনাথত।
২. অষ্ট্ৰিয়া।
৩. মগৰ।
৪. গোল্ড কোষ্ট।
৫. জোব্ চাৰ্নক।
৬. ৭০-৮০ বছৰ।
৭. আৰবীয়।
৮. ইথিঅ'পিয়া।
৯. এডমাণ্ড স্পেনছাৰ্চ (১৫৫২-১৫৯৯)।
১০. লিৰা।
১১. ইন্দ্ৰ।
১২ আলেগ্জি লিঅ'নাভ (১৯৬৫)।
১৩. জিৰাফ।
১৪. জেন্দ-আবেস্তা।
১৫. ভেনেজুৱেলা।
১৬. আৰ্থাৰ ওৱেলেছলি।
১৭. মহম্মদ আলি জিন্নাহ।
১৮. মেকেন্‌জি।

চিলাই নিলে কান

অকণাজনী কেৱল দেখন-দৰ্পণেই নহয়, কি কাম-বনত কি হিয়া-মনত—বাস্তৱিকেই সুন্দৰ। স্বভাৱ-চৰিত্ৰৰ তো কথাই নাই।

চুবুৰীয়া গাঁৱৰ মহেন্দ্ৰ ডাঙৰীয়াই এইজনী অকণাক বোৱাৰী হিচাপে ল'বলৈ মন কৰি মানুহ এজনক ভুৱনদত্তৰ ওচৰলৈ পঠাইছিল। সেইহে, ভুৱনদত্তই মহেন্দ্ৰ ডাঙৰীয়াৰ ঘৰলৈ গৈছিল সেই বিষয়ে খা-খবৰ ল'বলৈ আৰু দিবলৈকো।

মহেন্দ্ৰ ডাঙৰীয়াই ভুৱনদত্তলৈ যথেষ্ট আদৰ-সাদৰ কৰিলে আৰু ক'লে, "আপোনাৰ ছোৱালীজনীৰ বিষয়ে মোৰ চিনা-জনা কিছুমানে বৰ ভাল মন্তব্য কৰাত—অকণাক আমাৰ ঘৰৰ বোৱাৰী কৰি আনিম বুলি মন মেলিছোঁ। আমাক কোনো যৌতুক-কৌতুক নালাগে, আৰু বিয়াখনো সাধাৰণ ভাবে পাতিলেই হৈ যাব—আমাৰ ঘৰলৈ ছোৱালী দিবলৈ যদিহে আপোনালোকৰ মত হয়।

মহেন্দ্ৰডাঙৰীয়াৰ পুত্ৰ মানৱো দেখাই-মেলাই ভাল, স্বভাৱত বিনম্ৰ। ভুৱনদত্তই ভাবিলে : এই কুটুম্বিতা ভালেই হ'ব।

ভুৱন গাঁৱলৈ উভতি আহিল আৰু নিজা মানুহখিনিক মহেন্দ্ৰ ডাঙৰীয়াৰ বা-বিবৰণ দিলে, সকলোটিয়েই একবাক্যে এই যোগাযোগৰ সমৰ্থনো কৰিলে।

যেতিয়া সকলো প্ৰায় খাটাং, ঠিক তেতিয়াই নৱৰাম নামৰ মানুহ এজনে এটা বৰ বেয়া খবৰ কঢ়িয়াই লৈ আহিল। নৱৰামে ভুৱনদত্তক ক'লে, "মহেন্দ্ৰ ডাঙৰীয়াই আৰ-তাৰ ওচৰত এই কথা কৈ ফুৰিছে যে অযোগ্য পৰিয়ালত জনমিল।

শশিধৰ শৰ্মা

কাণখনত হাত দি চাবা যে আছেনে নাই? মহেন্দ্ৰই তোমাৰ সৈতে পৰিষ্কাৰ আৰু সহজ-সৰল কথা পাতিছিল দেখোন। তাৰ পাছত হঠাৎ কি হ'ল—অনাৰ কথা শুনি নিজেই সোধাচোনগৈ—।"

পিতাকৰ কথা পোনতে ভাল নাপাইছিল ভুৱনে। কিন্তু পাছত ভাবি চালে যে কথা—হওঁতে ঠিকেই কৈছে পিতাকে। মহেন্দ্ৰ ডাঙৰীয়াক সুধি—তাৰ পাছতহে যি হয় কৰা উচিত হ'ব।

পাছদিনা ৰাতিপুৱা ভুৱনদত্ত মহেন্দ্ৰ ডাঙৰীয়াৰ ঘৰলৈ বুলি ৰাওনা হ'ল, বাটত বীৰদাস নামৰ চিনাকি খেতিয়ক এজনৰ সৈতে দেখাদেখি। এই খেতিয়কজনে নিজৰ মাটি তিনি হালিচামান মহেন্দ্ৰ ডাঙৰীয়াক সস্তা দামতে বেচিছিল। মাটিখিনি ছনপৰা বুলি জানিও মহেন্দ্ৰই কিনি লৈছিল। কিন্তু এতিয়া তেওঁ মানুহক কৈ ফুৰিছে যে খেতিয়ক বীৰদাস দুখীয়া হোৱা হেতুকে মাটি কিনাৰ ছলেৰে টকা এখিনি তাক তেওঁ দান হিচাপেহে দিছিল!

ভুৱনদত্তই বীৰদাসক ক'লে, "মোৰো তেনেকুৱাই কথা। মহেন্দ্ৰ ডাঙৰীয়া দেখিছোঁ—নামতহে ডাঙৰীয়া, আচলতে তল-খুচৰীয়া। ভালেই হ'ল, ব'লা, একেলগেই যাওঁ আমি।"

মই অৰুণাক বোৱাৰী কৰি আনিম বুলি ভাবিছোঁ যেতিয়া আনিমেই—আৰু সেই কাৰণেই দুখীয়া ভুৱনৰপৰা কোনো যৌতুক নলওঁ বুলি তাক কৈ দিলোঁ। মই কোনোবা মগনিয়াৰৰপৰা বাৰু ধন ল'ব পাৰোঁনে? ভুৱনে অৱশ্যে দিব খুজিছিল, কিন্তু মই তাৰপৰা নল'লোঁ—ইত্যাদি।"

শুনি ভুৱনদত্তই চৈধ্য-ভুৱন দেখা যেন হ'ল। তেওঁ তাত ছোৱালী নিদিব বুলি তিনি সইত খোৱাৰ দৰে হ'ল। কথাটো ভুৱনে তেওঁৰ পিতৃক কোৱাত পিতাক নগেনদত্তই ক'লে, "চিলাই কাণখন লৈ গ'ল বুলি শুনি চিলাৰ পিছ খেদিবানে

হুয়ো সামান্যমান আগ বাঢ়িল-কি-নাবাঢ়িল — আধা-চিনাকি বেপাৰী এজনে তাৰ ঘোঁৰাৰ গাড়ীখন মেৰামতি কৰি থকা দেখি ৰ'ল। গাড়ীৰে ক'লৈ যাবলৈ ওলাইছা—বুলি সোধাত বেপাৰী বাপধনে ক'লে যে, সি মহেন্দ্ৰ ডাঙৰীয়াৰ ওচৰলৈ ওলাইছে। এবাৰ এই মহেন্দ্ৰ ডাঙৰীয়াই তাক এহেজাৰ মুদ্ৰা ধাৰলৈ দিছিল। কিছুদিনৰ পাছত সি ধাৰ পৰিশোধও কৰিছিল। কিন্তু এতিয়া মহেন্দ্ৰ ডাঙৰীয়াই—মই মুদ্ৰাখিনি মাৰি দিলোঁ বুলি আক-তাক কৈ ফুৰিছে! এই কথাৰ চয়-নিচয় কৰিবলৈহে ওলাইছোঁ।

তাৰ পাছত—তিনিও গাড়ীত উঠি ইকথা-সিকথা পাতি পাতি গৈ থাকিল।

মহেন্দ্ৰ ডাঙৰীয়াৰ ঘৰ পাওঁতে গধূলি হওঁ হওঁ হ'ল। তেতিয়া মহেন্দ্ৰ ডাঙৰীয়াই তেওঁৰ ঘৰৰ চোতালত বহি আন কেইবা-জনৰো—সৈতে মেল-তেল মাৰি আছিল। এওঁলোকক দেখা পাই মহেন্দ্ৰ ডাঙৰীয়াই-বহাৰপৰা উঠি তিনিওকো আদৰি ল'লে। তেওঁ এওঁলোকক পোনে পোনেই ঘৰৰ ভিতৰলৈ লৈ গ'ল। মহেন্দ্ৰ ডাঙৰীয়াৰ হাব-ভাবত কোনো অস্বস্তি বা দ্বিধাৰ কণমাত্ৰো প্ৰকাশ নাছিল। তেওঁ এওঁ-লোকক আলহী হিচাপে পাই অতি আনন্দৰ ভাব প্ৰকাশ কৰিছিল।

কিন্তু এওঁলোকৰ চকু-মুখতহে আনন্দৰ



'আ'টোও নাছিল। এওঁলোকে বাৰে বাৰে পৰস্পৰলৈ চাই আছিল আৰু বাৰে বাৰে সেপ ঢুকিছিল।

এনেতে মেলুৰৈহঁতৰ মাকত এজনে মহেন্দ্ৰ ডাঙৰীয়াক ক'লেহি, "ডাঙৰীয়া, মোৰ বিষয়ে—আপুনি কিন্তু কোনো সিদ্ধান্তৰ কথা মোক ন'কলে—।"

"সিদ্ধান্ত—হৈ গ'ল নহয়? মুখেৰে যি ক'লোঁ সেয়ে মোৰ সিদ্ধান্ত।" মহেন্দ্ৰ ডাঙৰীয়াই ক'লে, "জানাই—মোৰ কথা শিলৰ ৰেখা।"

তেতিয়া মানুহজনে আন মেলুৰৈহঁতক ক'লেহি, "শুনিলেই আপোনালোকে তেওঁৰ কথা। তেওঁক বুজাই ক'ব, এইকণ উপকাৰ কৰিব মোৰ।"

তেওঁলোকে জানিব খুজিলে যে দৰাচলতে কথা কি। তেতিয়া এই মানুহজনে যি ক'লে তাৰ সাৰকথা হ'ল;

এইখন গাঁৱতে মহেন্দ্ৰ ডাঙৰীয়াৰ আৰু এটা ঘৰ আছে। আগতে সেইটো ঘৰতে তেওঁ বসবাস কৰিছিল। ঢেৰ ধন অৰ্জাৰ পাছত তেওঁ এইটো ঘৰ বনালে, আৰু সিটো ঘৰ এৰি ইটো ঘৰত থাকিবলৈ ল'লে। তাৰ পাছত এই ঘৰটো এই মানুহজনে যেতিয়া কিনি লোৱাৰ কথা মহেন্দ্ৰ ডাঙৰীয়াক ক'লে, তেতিয়া মহেন্দ্ৰ ডাঙৰীয়া সন্মত হ'ল, আৰু ঘৰটো অতি কম মূল্যত দিব বুলিও কথা দিলে।

গাঁৱৰে আন এজন—গণনাথৰো চকু পৰিল ঘৰটোৰ ওপৰত। গণনাথে হঠাৎ মহেন্দ্ৰ ডাঙৰীয়াৰ গুণ-গান আৰম্ভ কৰিলে। তেতিয়া এই মানুহজনে—অৰ্থাৎ হৰকান্তই গণনাথক ককৰ্থনা কৰিলে আৰু ক'লে, 'এইটো ঘৰ—আচলতে ভূত-প্ৰেতৰ ঘৰ, এক ৰকমৰ মৰিশালি বুলিও ক'ব পাৰি। আনকি বিনা পইচাতো কোনেও এই এৰা ঘৰটো কিজানি নল'ব। মই কিন্তু পইচাৰে কিনি লৈছোঁ। মোৰ প্ৰয়োজন হৈছে, কিনিছোঁ। বহু—বহু,

পইচা হজম.—কথা খতম্‌।

এতিয়া গণনাথে ৰটি ফুৰিছে যে—এনেহেন আটমটোকাৰীকৈ বনোৱা ঘৰটো ইমান সস্তাত কিয় দিব। তাৰ কথা হ'ল—ঘৰটো যদি তেওঁ তাক দিয়ে, তেনেহ'লে সি ওৰে জীৱনলৈ তেওঁৰ ওচৰত তেনো ধৰুৱা হৈ থাকিব, তেওঁক পূজা কৰিব। কিন্তু মহেন্দ্ৰ ডাঙৰীয়া তেওঁৰ সিদ্ধান্তত অটল! কোনো অৱস্থাতে তেওঁ তেওঁৰ মুখৰ কথাৰ লৰচৰ নকৰিব বুলি—কৈছেহে!

ভুৱনদত্ত আৰু আন দুজনেও কিবা ক'বলৈ মুখ মেলোঁতেই মহেন্দ্ৰ ডাঙৰীয়াই কৈ উঠিল, "ৰটো তাক যেতিয়া পোৱা নাযায়, তেতিয়া তাক পোনাবৰো তো কোনো উপায় নাই। ভিত্তিহীন কথা শুনি 'চিলাই কাণ নিলে' বুলি বুৰ্বকেহে চিলাক খেদি যায়, বুদ্ধিমানে কাণত হাত দি চায়। কেতিয়াবা কেতিয়াবা—কাচিং-কেতিয়াবাহে— ভিত্তিহীন কথাও সচাঁ। হয়তো হয়, কিন্তু সেই বুলি সেইবোৰ বিশ্বাস কৰি চিঞৰি-বাখৰি হুলস্থুল কৰাটো মোৰ পদ্ধতি নহয়। গণনাথে, বা কোনে ক'ত কি কত কি ক'লে—সেইবোৰ শুনি জঁপিয়াই পৰাটো মূৰ্খৰহে লক্ষণ হ'ব। আৰু—লগনীয়াৰ কথাত বিশ্বাস কৰি যিহঁতে খতত ৰঙা পৰে, সিহঁতক এৰাই চলাটোহে ভাল।"

মহেন্দ্ৰ ডাঙৰীয়াৰ কথাখিনি শুনি ভুৱন আৰু আন দুজনো ক'লা পৰিল। ভিত্তিহীন—শিপা-নথকা কথা যে কিমান অনিষ্টকৰ হ'ব পাৰে—মহেন্দ্ৰ ডাঙৰীয়াৰ খাৰাংখাচ কথা শুনি এওঁলোকে উপলব্ধি কৰিব পাৰিলে, আৰু মেলুৰৈহঁত গুচি যোৱাৰ পাছত ভুৱনদত্তই, আৰু আন দুজনেও মহেন্দ্ৰ ডাঙৰীয়াৰ ওচৰত সত্য প্ৰকাশ কৰি তেওঁৰপৰা একপ্ৰকাৰে ক্ষমাহে খুজি ল'লে।

খৰ-খেদা

পুৰোহিত সোমশাস্ত্ৰীৰ সকলো কথাতে খৰখেদা। খাৱন-লওন—শোৱন-জাগন উঠন-বহন যাৱন-আহন—চবতে।

চুবুৰীয়া গাঁৱৰ আঢ্যৱন্ত পৰিয়াল এখনৰ বিয়াত তেওঁ পৌৰোহিত্য কৰিব। বিয়াৰ সকলো বস্তু ঠিকে-ঠাকে অনা হ'লনে নাই—বহু দূৰণিবটীয়া চহৰৰপৰা অনাব লাগিব—গতিকে কাউৰী-কুকুৰাই নৌ মাত দিওঁতেই তেওঁ খৰখেদাকৈ জাগি গ'ল আৰু খৰখেদাকৈ ৰাওনা হোৱাৰ সময়ত পৰিবাৰক কৈ গ'ল, "হেৰাহে—শুনিছানে? দুৱাৰ বন্ধ্ কৰা, নহ'লে চোৰ সোমাব পাৰে, সাৱধান হৈ থাকিবা।"

পুৰোহিত সোমশাস্ত্ৰীয়ে এই কথা কওঁতে চোৰ এটাই ছেগ চাই এন্ধাৰৰ গাত ভেজা দি বহিয়েই আছিল তাত। সোমশাস্ত্ৰীৰ পৰিবাৰ ক্ষন্তেকমানৰ বাবে দুবাৰৰ বাহিৰ হৈছিল, আৰু তেতিয়াই চোৰ বপুৰায়ো সোমাইছিলহি। তাৰ পাছত পুৰোহিত-পত্নীয়ে পুনৰ শুলেগৈ।

চোৰটোৱে ভাবিলে: বেটা পুৰোহিতৰ ঘৰত আৰুনো কি পাম—? চাউল আৰু সৰু সৰু গামোচা। সেইবোৰ শৰাধৰ গামোচা মোক নালাগে, পিছে চাউলখিনি লাগে। ক'ত নো চাউল থৈছে? চোৰ-টোৱে আন্ধাৰে-মুন্ধাৰে খেপিয়াই থাকিল।

আৰু ঠিক তেতিয়াই সোমশাস্ত্ৰী হেঁপাই-ফোঁপাই পুনৰ ঘৰলৈ আহি দুৱাৰত জোৰেৰে খটখটালে।

পৰিবাৰে সুধিলে, "কি—হ'ল?"

"মোৰ গাত উৰা চাদৰখন পাহৰি থাকিলোঁ।" এই বুলি কৈ, এন্ধাৰতে চাদৰ-

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

খন লৈ, পুনৰ খৰধৰকৈ শুচি গ'ল।

পুৰোহিতৰ পৰিবাৰে পুনৰ দুৱাৰ বন্ধ কৰিলে, আৰু পুনৰ দীঘল দিলে। চোৰ চুপচাপ বৈ থাকিল, আৰু যেতিয়া বুজি পালে যে—পুৰোহিত-পত্নীয়ে ৰ-টোপনি মাৰিছে, তেতিয়া এখন আহল-বহল বিছনাৰ চাদৰ মজিয়াত পাৰিলে, চাউলখিনি বান্ধি টোপোলা এটা কৰি লৈ যাব।

কিন্তু সোমশাস্ত্ৰী পুনৰ আহিল, দুৱাৰ খটখটালে, পৰিবাৰে দুৱাৰ খুলি সুধিলে ; "এইবাৰ কি পাহৰি থাকিল ক'বনে--?"

"মোনা—মোনা, মোৰ মোনাটো, মানে পূজাৰ মাল-বস্তু থকা মোনাটো—।"

পৰিবাৰে মোনাটো দিলে, আৰু পুৰোহিতেও বিজুলী গতিৰে খোজ ল'লে।

পুৰোহিতৰ পৰিবাৰে কি আৰু কৰিব। ৰাতি পুৱাওঁতে এতিয়াও এপৰ। গতিকে তেওঁ আকৌ বিছনাতে দীঘল দিব বুলি খোজ দিলে আৰু ভৰিত চাদৰ বা তেনেকুৱা কিবা এখন লাগি ধৰাত সেইখন মজিয়াৰপৰা বুটলি ৰছীত থৈ দিলে।

এইবাৰো যেতিয়া পুৰোহিত-পত্নীৰ নাকৰ ঘোৰ্ঘোৰণি উঠিল, তেতিয়া চোৰটোৱে চাউলখিনি মজিয়াত পৰি থোৱা চাদৰৰ ওপৰত ঢালিলে, আৰু চাদৰত চাউলখিনি বান্ধি ল'বলৈ চাদৰৰ চাৰিটা চুক বিচাৰিবলৈ ধৰিলে। কিন্তু বহু সময় ধৰি চেষ্টা কৰিও যেতিয়া চাদৰৰ এটা চুকো বিচাৰি নাপালে, তেতিয়া গমিলে যে—সি মজিয়াত পাৰি থোৱা চাদৰখন নাই, আৰু সি চাউলখিনি মজিয়াৰ ওপৰতহে ঢালি থৈছে!

কি কৰিব-নকৰিব ভাবি থাকোঁতেই পুনৰ ঘৰৰ দুৱাৰত খটখটনি উঠিল, আৰু পুৰোহিত-পত্নীয়ে দুৱাৰ খোলাৰ লগে লগেই চোৰ বপুৰাই ওলাই পলং দিলে।

পুৰোহিতৰ খৰখেদা-স্বভাৱৰ কাৰণেহে চোৰে চুৰি কৰিব নোৱাৰিলে।


Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!


SUPER
RUBBER
It's time to go back to school again. Time for text
books. Time for games. Time to meet old friends.
And make new ones. Time to start studying
again. Because there's so much to learn about
the world around you.
From all of us here at Chandamama, have a
great year in school. And remember to tell us
what you've learnt everyday, when you
come home from school !
THE
HANDAMAMA
OLLECTION
ARTIG1246

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৫ চনৰ নভেমবাৰ মাহৰ সংখ্যাত প্ৰকাশিত হ'ব।

MAHANTESH C. MORABAD



MAHANTESH C. MORABAD

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত চন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৫ চনৰ ছেপটে'মবাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৫ চনৰ জুন মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : লুব্ধ দৃষ্টি

দ্বিতীয় ফটো : লব্ধ সৃষ্টি

অমিয়া বৰদলৈ, তুৰা, মেঘালয়।

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব।]

ভাৰতত বছৰেকীয়া বৰঙনি **চা ন্দ মা মা** ৬০.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্‌·
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 117.00 ● উৰাজাহাজ-যোগে 264.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 123.00 ● উৰাজাহাজ-যোগে 264.00

আপোনাৰ বৰঙণি বেৱল ডিমাণ্ড ড্ৰাফ্‌ট্‌ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০·০২৬

পাৰ্লে
এতিয়া পাৰ্লে পপিন্সৰ মজা লাগিয়েই থাকে...
পেকেটটো শেষ হোৱাৰ পাছতো থাকে।
পাৰ্লে পপিন্সৰ ৰেপাৰ পঠিওৱাঁ। জবৰদস্ত উপহাৰ লাভ কৰাঁ।
বিনামূল্যে
পাৰ্লে পপিন্সৰ 20-খন ৰেপাৰ পঠিয়ালে জোকাই ধেমালি কৰা পাজ্‌ল কিট। পালে পপিন্সৰ 10- খন ৰেপাৰ পঠিয়ালে ফান পেড আৰু জাঙ্গল বুক ষ্টিকাৰ। পাৰ্লে পপিন্সৰ 4- খন ৰেপাৰ পঠিয়ালে জাঙ্গল বুক ষ্টিকাৰ।
* পপিন্স এই সুযোগ অবিহনেও পোৱা যায়।
PARLE
POPPINS
এতিয়া ফলৰ ন ন সোৱাদত
ফ্ৰুট জুচ বা পাল্প নথকা, অতিৰিক্ত ফ্লেভাৰ থকা।
খবৰদাৰ কৰাঁ
ডাক টিকট লগোৱা লেফাফাত নিজৰ নাম আৰু ঠিকনা লিখি পাৰ্লে পপিন্সৰ খালী ৰেপাৰবোৰৰ সৈতে এইটো ঠিকনালৈ পঠিওৱাঁ: পপিন্স পইন্ট, পো: অ: 907 বম্বে-400057।